# শ্ৰীমন্ত শঙ্কৰ দেৱৰ

# বৰগীত।

411
58 13

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা সাহিত্যৰত্নৰ দ্বাৰা
সম্পাদিত।

বেচ ৸০ বাৰ অনা।

# শ্ৰীমন্ত শঙ্কৰ দেৱৰ

# বৰগীত।

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা সাহিত্যৰত্নৰ দ্বাৰা
সম্পাদিত।

শ্ৰীমদ্ভাগৱত ভৰালৰপৰা
সম্পাদকৰ দ্বাৰা প্ৰকাশিত।
নলবাৰী কামৰূপ।

নলবাৰী উমা প্ৰেছত—
শ্ৰীভৃগু লোচন দত্তৰ দ্বাৰা
ছপা কৰা হল।

# নিবেদন

আধ্যাত্মিক ভাব, তাৰ উপযোগী মাৰ্জিত ভাষা আৰু স্বৰ্গীয় ৰাগ থকা প্ৰাচীন গীতক আমি বৰগীত বোলোঁ। অসমত পোনপ্ৰথমে শ্ৰীমন্তশঙ্কৰদেৱে এই বৰগীত ৰচনা কৰে। তেৰাৰ পাছত শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীগোপালদেৱ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, যদুমণিদেৱ, লক্ষ্মীকান্ত আতা আদিয়ে বহুতো বৰগীত ৰচনা কৰি গৈছে। অনেক অপ্ৰধান কবিয়েও আকৌ নিজে গীত ৰচি বহুল প্ৰচাৰৰ আশাৰে শ্ৰীমন্তশঙ্কৰ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ভণিতা দি গৈছে।

"বৰগীত" নামৰ পুথিত শ্ৰীমন্তশঙ্কৰদেৱৰ মাত্ৰ ৩৪ টা বৰগীত পোৱা যায়। বৰগীতৰ পুথিত প্ৰভুৰ এই বৰগীত ১ৰ পৰা ২৮ লৈকে ক্ৰমিক লিখা হৈছে। বাকী ৬ টা বৰগীত ১৮৩ ৰ পৰা ১৮৮ লৈকে নম্বৰ দি পুথিৰ মাজত দিছে। প্ৰাচীন লিখক সকলে কি কাৰণে এইদৰে বৰগীতবোৰ পুথিৰ ভিতৰত সন্নিবেশিত কৰিছিল, সেইবিষয় আমি এইবাৰ আলোচনা কৰিবলৈ চেষ্টা নকৰিলোঁ। আমাৰ প্ৰকাশিত পুথিত পাছৰ গীত কেইটাৰ তলে তলে পুথিৰ বৰগীতৰ সংখ্যা উল্লেখ কৰি থলোঁ মাত্ৰ।

দলগোমাৰ ( গোৱালপাৰা ) শ্ৰীমান গোবিন্দ চন্দ্ৰ দাসৰ পৰা আৰু সুন্দৰীদিয়া সত্ৰৰ ৺ দীননাথ অধিকাৰী দেৱৰ পৰা দুখন সাঁচীপতীয়া "বৰগীত" সংগ্ৰহ কৰিছিলোঁ। দলগোমাৰ বৰগীতখন প্ৰায় আঢ়ৈশ বছৰৰ পুৰণি! দুয়োখন পুথি মিলাই বানানত

হাত নিদি বৰগীতবোৰ নকল কৰা হৈছিল ; পাছত ৰায়বাহাদুৰ শ্ৰীযুত কালীৰাম মেধি ডাঙৰীয়াই পুনৰ তেখেৰত হাতত থকা পুথিৰ লগত মিলাই যি দুই এটা শব্দৰ গৰমিল পালে সেইবোৰ তলত পাঠান্তৰ বুলি লিখি দিছে।

শ্ৰীমন্ত শঙ্কৰ গুৰুৱে বাল্যকালত সঙ্গীত চৰ্চ্চা কৰাৰ কথা চৰিত্ৰ পুথিত স্পষ্ট উল্লেখ নাথাকিলেও প্ৰায় উনৈশ বছৰ বয়সত আলি পুখুৰীত চিহ্ন-যাত্ৰা ভাওনা কৰোঁতে তেবাৰ ৰাগত গছৰ পাত সৰা আৰু পাত গজাৰ কথা চৰিত্ৰত লিখা আছে। * গতিকে ছাত্ৰজীৱনতেই প্ৰভুৱে সঙ্গীত চৰ্চ্চা কৰিছিল। প্ৰভুৱে প্ৰথম বাৰ তীৰ্থযাত্ৰা কৰাৰ সময়ত উত্তৰ ভাৰতৰ ভিতৰত বিহাৰ প্ৰদেশ সঙ্গীত চৰ্চ্চাৰ এখন প্ৰধান কেন্দ্ৰ আছিল বুলি কিছুমানে কয়। প্ৰভু শ্ৰীমন্ত-শঙ্কৰৰ ভাষাত ব্ৰজাবলী শব্দৰো প্ৰাচুৰ্য্য দেখা যায়। এই কাৰণে বিহাৰতেই প্ৰভুৱে সঙ্গীত, নাট আদি বিদ্যাৰ বিশেষ ভাৱে চৰ্চ্চা কৰিছিল বুলিলেও বোধকৰোঁ ভুল নহব। ৰাগ,তাল, মান আদিত অভিজ্ঞতা থকা লোকেহে এই বিষয়ত কিছু নিশ্চিত সিদ্ধান্ত দিব পাৰিব। বৰগীতবোৰত ২১ টা ৰাগৰ উল্লেখ আছে। প্ৰভু শঙ্কৰে কেৱল ১১ টা ৰাগতহে বৰগীত ৰচনা কৰিছিল। ধনশ্ৰী আৰু গৌৰী ৰাগতেই তেবাই বেচি সংখ্যক বৰগীত বান্ধিছিল।

আমাৰ ইয়াত যিবোৰ বৰগীত গায়, সেইবোৰৰ ৰাগ উজনি-নামনিত একে নহয়। সত্ৰ আৰু গাৱঁৰ মানুহৰ বৰগীতৰ

* ১৩৮৯ পৃঃ শঙ্কৰ চৰিত—ৰামচৰণ।

ৰাগতো অলপ অমিল শুনা যায়। সেইকাৰণে বৰগীতৰ ৰাগবোৰৰ শুদ্ধাশুদ্ধলৈ নানা সন্দেহ জন্মে।

বৰগীতৰ চৰ্চ্চা শ্ৰীগুৰুৱে বৰদোৱা, গাংমৌ, ধুবাহাটা আদিত কৰিলেও পৰবৰ্ত্তী কালত পাটবাউসীতেই বিশেষ ভাৱে চৰ্চ্চা কৰিছিল। আৰু প্ৰভু পাটবাউসীলৈ অহাৰ পাছত শ্ৰীশ্ৰীমাধৱদেৱে ধৰ্ম্মাচাৰ্য্য পদ গ্ৰহণ কৰি উজনিত ধৰ্ম্ম প্ৰচাৰৰ ব্যৱস্থা নকৰালৈকে প্ৰায় পঞ্চাশ বছৰ উজনিত বৰগীতৰ চৰ্চ্চা নহৈছিল। শ্ৰীশ্ৰীবংশী গোপালদেৱ, শ্ৰীশ্ৰীপদ্ম আতা (বদলা আতা) আৰু বাৰজনীয়া ধৰ্ম্মাচাৰ্য্য সকলে ধৰ্ম্ম প্ৰচাৰ কৰাৰ লগেলগেহে উজনিত বৰগীতৰ পুনঃ চৰ্চ্চা হৈছিল।

শ্ৰীশ্ৰীশঙ্কৰ প্ৰভুৰ পাছত তেওঁৰ প্ৰচাৰিত নাম ধৰ্ম্মৰ অমৃতময় ৰস চাৰি-সোঁতত বৰলৈ ধৰে, যেনে নিকাপন্থীয়া (শ্ৰীশ্ৰীমাধৱদেৱৰ আজ্ঞাপৰ,) ঠাকুৰীয়া* (পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ), দামোদৰীয়া (শ্ৰীশ্ৰীদামোদৰদেৱৰ আজ্ঞাপৰ) আৰু হৰিদেৱী (শ্ৰীশ্ৰীহৰিদেৱৰ আজ্ঞাপৰ)। সকলোৱে শৰণ-ভজন, প্ৰসঙ্গ-প্ৰণালী একেহলেও নিকাপন্থীয়া বৰপেটা আৰু কমলাবাৰী-সত্ৰৰ চালচলনা আন তিনি ঘৰৰ লগত অলপ ভিন। ঠাকুৰীয়া, দামোদৰী আৰু হৰিদেৱীৰ ভিতৰতো পৰস্পৰ খাপ খাই যোৱা নহয়। ঠাকুৰীয়াসকল নিকাপন্থীয়াৰ লগত আৰু দামোদৰীসকল হৰিদেৱীৰ লগত ভালেখিনি মিলি যায়। কমলাবাৰীৰ

* নগাওঁত "ঠাকুৰীয়া" শব্দে শ্ৰীশ্ৰীগোপাল আতাৰ আজ্ঞাপৰ সত্ৰবোৰক বুজায়। † সুন্দৰীদিয়া আৰু পাটবাউসীক ইয়াৰ ভিতৰত ধৰা হৈছে।

ভকতসকলে বৰপেটাত আৰু বাৰজনীয়া গোঁসাই-ভকতে বৰদোৱাত মাজে সময়ে শিক্ষা লাভ কৰা দস্তুৰ আজিলৈকে চলি আছে। এই কাৰণে বৰগীতৰ সুৰ কমলাবাৰীৰ বৰপেটা-সুন্দৰীৰ লগত আৰু উজনিৰ বাৰজনীয়া সত্ৰবোৰৰ বৰদোৱাৰ লগত মিল দেখা যায়। আমাৰ ভিতৰুৱা গাৱঁৰ মানুহৰ বৰগীতৰ সুৰ সত্ৰৰ সুৰৰ লগত প্ৰায়ে নিমিলে। প্ৰাচীন বৰগীতবোৰ নিয়মমতে শিক্ষা নকৰাৰ ফলত বোধকৰোঁ সেইবোৰ ঠাইৰ বৰগীতৰ সুৰত স্থানীয় গীতৰ সুৰ সংযোগ হৈ তেনে মিশ্ৰণ সুৰৰ সৃষ্টি হৈছে। ঠিক এই কাৰণেই বোধকৰোঁ বৰপেটাৰ বৰগীতৰ সুৰৰ লগত উজনিৰ (কমলাবাৰী বাদে) সত্ৰবোৰৰ সুৰ অমিল পোৱা যায়।

বৰপেটা-সুন্দৰীত প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়ৰপৰা বৰগীতৰ চৰ্চা ধাৰাবাহিক ৰূপে চলি আহিছে। গতিকে ইয়াৰ সুৰ বোধকৰোঁ বেচি পৰিবৰ্ত্তিত হোৱা নাই। কিন্তু বৰ্ত্তমানে বৰপেটাৰ কিছুমানে হাৰমোনিয়মত যিবোৰ বৰগীত গায় সেইবোৰৰ ৰাগ- তাল-মান প্ৰাচীন সুৰৰপৰা কিছু আঁতৰিছে।

বৰগীতখন শব্দাৰ্থ দি প্ৰকাশ কৰাবলৈ আমি আজি প্ৰায় ২০।২৫ বছৰৰপৰা বহুতো পণ্ডিতলোকক অনুৰোধ কৰিছিলোঁ। সুখৰ বিষয় শ্ৰদ্ধেয় বন্ধু শ্ৰীযুত ৰাজ মোহন নাথ বি, ই, তত্বভূষণ ডাঙৰীয়াই আমাৰ অনুৰোধ ৰক্ষা কৰি ৪৯৪ শঙ্কৰাব্দত "শ্ৰীশ্ৰীশঙ্কৰ-দেৱৰ বৰগীত" প্ৰকাশ কৰে। এই পুথিত তেখেতৰ টীকা-ভাষ্য অলপ বহল হল; অলপ লিখা পঢ়া জনা মানুহে ইয়াক পঢ়িবলৈ অলপ আহুকাল বোধ কৰে দেখি কেৱল শব্দাৰ্থ আৰু নৰ বেচি কঠিন বাক্যাংশ দুই চাৰিটাৰ মাত্ৰ অৰ্থ ইয়াত দি আমি প্ৰকাশ কৰিলোঁ।

শব্দাৰ্থবোধ লিখাত শ্ৰীযুত নাথ ডাঙৰীয়াৰ পুথিখনৰ পৰা বিশেষ ভাৱে সহায় লোৱা হৈছে; এই কাৰণে জয়জয়তে আমাৰ পথ প্ৰদৰ্শক শ্ৰীযুত নাথ ডাঙৰীয়াৰ ওচৰত কৃতজ্ঞতা জনালোঁ।

আমি পুথিখনি যুগুত কৰি এটাই ভাষাতত্ত্ববিদ্ প্ৰাচীন পুথি চৰ্চাত সুপণ্ডিত ৰায়বাহাদুৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত কালীৰাম মেধি এম, এ, ডাঙৰীয়াৰ ওচৰলৈ পঠাইছিলোঁ; তেখেতে দয়া কৰি অশেষ শ্ৰমকৰি তেখেতৰ হাতত থকা আন এখন সাঁচীপতীয়া বৰগীতৰ লগত মিলাই আমাৰ লিখাবোৰ ভালদৰে পঢ়ি চাইছে আৰু মাজে মাজে সংশোধন আৰু আৱশ্যক বুজি নতুন কথা যোগ দি আমাক সুজিব নোৱাৰা ঋণ-জালত আবদ্ধ কৰিছে। এইবাবে শ্ৰদ্ধেয় মেধি ডাঙৰীয়াৰ ওচৰত চিৰকৃতজ্ঞ থাকিলোঁ।

আমাৰ অনুজ শ্ৰীমান বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাই প্ৰতিটা বৰগীতৰ তলত সৰল ব্যাখ্যা দিবলৈ আমাক অনুৰোধ কৰিছিল। বাস্তৱতে এইদৰে প্ৰকাশ কৰিব পাৰিলে বেচি ভাল আছিল কিন্তু সময়ৰ অভাৱত এই সংস্কৰণত হৈ নুঠিল।

ভুলৰ হাত সৰা আমাৰ দৰে অলপ বিদ্যাৰ লোকৰ পক্ষে বৰ টান। কৰবাত কিবা দোষ দেখিলে সুধীসকলে কৃপা কৰি জানিবলৈ দিলে কৃতাৰ্থ বোধ কৰিম।

প্ৰাচীন সাহিত্য প্ৰকাশৰ অৰ্থে আমি আজি ৫।৬ বছৰ একাদিক্ৰমে যত্ন কৰি ভগবানৰ কৃপাত "শ্ৰীমদ্ভাগৱত ভৰাল" *

* এই ভৰালৰ পৰা "চিত্ৰত দশম স্কন্ধ ভাগৱত" ছপাৰ যোগাৰ পাতি কৰিব ধৰা হৈছে।

নামে এটি ধনৰ পুজি তৈয়াৰ কৰিছোঁ। এই ভৰালৰ পৰাই পোন প্ৰথমে এই বৰগীতখনি ছপা কৰা হল। "শ্ৰীমদ্ভাগৱত ভৰালত" প্ৰথম দান দিওঁতা শ্ৰদ্ধেয় বন্ধু শ্ৰীযুত ৰাজ মোহন নাথ; তেখেত আৰু আন আন সহৃদয় সাহিত্যানুৰাগী দাতা বন্ধুসকললৈ ইয়াতে কৃতজ্ঞতা জনালোঁ।।

নলবাৰী
৪৯৭ শঙ্কৰাব্দ

ৰাইজৰ সেৱক—
শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

# শ্ৰীমন্ত শঙ্কৰদেৱ

শঙ্কৰ-সূৰ্য্যৰ উদয়

পাঁচ শ মান বছৰ আগত ব্ৰহ্মপুত্ৰৰ কোষত শস্যে-মৎস্যে অনুপম বৰদোৱাত (বৰদৱাত) কায়স্থ কুলৰ পদ্মফুল ৰাজধৰ নামে এজনা শিৰোমণি ভূঞা আছিল।* তেওঁৰ পুত্ৰ মহা বৰা দেশধৰ দানী মানী পৰম বিশিষ্ট সূৰ্যবৰ। তেওঁৰ পুত্ৰ বিখ্যাত শিৰোমণি ভূঞা কুসুম্বৰ।†

কুসুম্বৰে শ্ৰীহৰি ভূঞাৰ (পাত্ৰ) নাতি অনিৰুদ্ধৰ দুহিতা ৰূপে গুণে ধন্যা পৰম ধৰ্মৱতী সত্যসন্ধ্যাক বিবাহ কৰে।‡ চাৰিবেদ শিৰোমণিত যাৰ চৰণ বিকাশ সেই লীলাময় নাৰায়ণে কলিকালত পাপত মগ্ন হোৱা জীৱক হৰি ভক্তিৰে উদ্ধাৰ কৰিবলৈ মায়া নৰতনু ধৰি কুসুমবৰ ঔৰসত সত্যসন্ধ্যাৰ গৰ্ভত পৰা ১৩৭১ শঁকৰ ৫ আহিন শুক্লা দশমীৰ দিনা উজ্বল পূৰ্ব ভাৰত-গগনত দেখা দিয়ে। ∮ সেই সময়ত সকলো সমাজে জয় জয় শব্দ কৰে, দেৱবাদ্য আকাশ চানি বাজি উঠে আৰু প্ৰভুৰ অৰুণ চৰণৰ কান্তি আদিত্য উদয়ৰ দৰে আন্ধাৰ দূৰ কৰি ভিলিকি উঠে। শ্ৰীশঙ্কৰৰ কলেৱৰ

---

* শিৰোমণি ভূঞাৰ ৰাজ্যৰ সীমা—উত্তৰে শিঙৰি, দক্ষিণে কপিলী, পূৰে চানধৰা আৰু পশ্চিমে কপিলী-লোহিতৰ সঙ্গম স্থল। বৰদোৱা শিৰোমণি ভূঞাৰ ৰাজধানী আছিল। পাছতহে ৬২ বছৰ বয়সত বৰদোৱাৰ ৮ মাইল উত্তৰে থকা আলিপুখুৰীলৈ ৰাজধানী স্থানান্তৰিত কৰে। শ্ৰী .কৰ আলি পুখুৰীত জন্মে, পাছতহে বৰদোৱালৈ যায়। (শঙ্কৰ চৰিত।)

† ১২০০১ পদ শ্ৰীমদ্ভাগৱত—শঙ্কৰদেৱ। ‡ ২৯৬ পদ শঙ্কৰ-চৰিত—ৰামচৰণ।

শ্ৰীমন্ত শঙ্কৰৰ ৰূপ

গৌৰ, আয়ত নয়ন, শ্ৰীমুখ চন্দ্ৰৰ দৰে জ্যোতিৰ্ম্ময়, অঙ্গভূষণ বিনাও লীলাময় শৰীৰৰ অঙ্গ-দেখিবলৈ সুশোভন, ধীৰ মতি, গজগতি গমন, বাণী মেঘৰদৰে গম্ভীৰ * ছত্ৰাকাৰ মূৰ, বাতুল অধৰ, দাঁত মুকুতাৰ দৰে, আজানু—লম্বিত সুবলিত বাহু, ৰাতুল চৰণ, অতি মনোনীত উৰু, জানু, জঙ্ঘা, ডিঙিত ধৱল উত্তৰী, বক্ষস্থলত কণ্ঠমণি, হিয়াত সুবৰ্ণৰ হাৰ, দুই হাতত তাৰ, হাতৰ আঙ্গুলি সোণৰ আঙঠিৰে সুশোভিত, নীলা পাৰিৰ হেঙুলীয়া ভুণি, মুখত মিচিকীয়া হাঁহি, চমৎকাৰ বিতোপন ৰূপ †

শিশুলীলা

শ্ৰীমন্ত শঙ্কৰ-উদয়ৰ পোন্ধৰ দিনৰ দিনা মাতৃ স্বৰ্গগামিনী হয়, আৰু ৮ বছৰ বয়সত পিতৃ স্বৰ্গী হয়; বুঢ়ীমাক খেৰসুতী আয়ে শ্ৰীশঙ্কৰক তুলি তালি ডাঙৰ কৰে।‡ শঙ্কৰৰ বাল্যকালত নানা অলৌকিক ঘটনা ঘটে; চৰিত্ৰকাৰসকলে এই ঘটনাবোৰ শ্ৰীকৃষ্ণৰ শিশু-লীলাৰ লগত মিলাই লিপিবদ্ধ কৰি গৈছে। শ্ৰীশঙ্কৰে ৰামৰামগুৰু আদিৰ লগত খিলা, কোটোৰা আদি নানা ক্ৰীড়া কৰি উমলি-জামলি ফুৰাৰ উপৰিও কোনো কোনো সময়ত হাবিত সোমাই পছু পোৱালি, নৈত সাতুৰি শিহু পোৱালি ধৰি আনি কিছু কিছু পৰ খেমালি কৰি এৰি দিছিল। ভোদহটীয়া ভৰপূৰ ব্ৰহ্মপুত্ৰ সাতুৰি ইপাৰ সিপাৰ হৈয়ো সকলোকে আচৰিত কৰিছিল। বিদেশী মালক শিশু শঙ্কৰে যুঁজত হৰুৱায়। খেদি অহা বাঁড় গৰুক শঙ্কৰে মৰ্দ্দন কৰি স্তম্ভিত

* গুৰু ভটিমা—মাধৱদেৱ। † শঙ্কৰ চৰিত—১১৬৯-১১৭৫ পদ ৰাম চৰণ। ‡ শঙ্কৰ চৰিত—ৰাম চৰণ।

কৰিছিল।* বাৰ বছৰ বয়সলৈকে শঙ্কৰে এইদৰে ক্রীড়া-কৌতুক কৰিয়েই কটাইছিল।

ইয়াৰ পাছত বুঢ়ীমাকৰ আদেশত শ্রীশঙ্কৰে মহেন্দ্র কন্দলি নামৰ অধ্যাপকৰ পঢ়াশালিত পঢ়িবলৈ ধৰে। তেওঁ ব্যঞ্জনবর্ণ শিকিয়েই "কৰতল কমল, কমল দল নয়ন" ইত্যাদি পয়াৰ ছন্দত এটি কবিতা লিখি অধ্যাপকক দিলত তেওঁ আচৰিত হয়। ভগবানৰ অৱতাৰ কৃষ্ণ-শঙ্কৰে পাঁচ বছৰৰ ভিতৰতেই হিন্দু ধৰ্মৰ সকলো শাস্ত্র আয়ত্ব কৰি গুৰু-দক্ষিণা দি বিদায় লয়।† তাৰ পাছত কিছুদিন যোগ অভ্যাস কৰিবলৈ ধৰে। কুম্ভক যোগ অভ্যাস কৰোঁতে তেওঁৰ শৰীৰৰ ভূষণ ছিঙি গৈছিল; বাওঁ হাতৰ বুঢ়া আঙুলিৰ ওপৰত ভৰ দি ভৰি ওপৰলৈ কৰি বহুপৰ ৰৈছিল। কোনো কোনো সময়ত পানীত ডুব গৈ বহি ধ্যানত মগ্ন হৈ আছিল।‡

বিদ্যাশিক্ষা।

শ্রীশঙ্কৰৰ উদাস ভাব লক্ষ্য কৰি জয়ন্ত-মাধৱ খুৰাক দুজনে প্ৰভুৰ পিতৃৰ বিষয় শোধাই দিয়ে আৰু হৰিৰ্খা ভূঞাৰ কন্যা সূৰ্য্যৱতী আইক বিবাহ কৰাই দিয়ে। এই বন্ধনে কিন্তু শঙ্কৰ প্ৰভুক শাস্ত্র-চৰ্চাৰ পৰা বিৰত কৰাব নোৱাৰিলে বৰং ধৰ্ম আৰু বিষয় দুয়োটাকে সমানে চলাই ভূঞাসকলক স্তম্ভিত কৰিলে। তেওঁ দিনৰ আজৰি পৰত আৰু ৰাতি ভালেখিনি সময় বেদাদি শাস্ত্র চৰ্চাত নিমগ্ন থকা

বিষয়-চৰ্চা আৰু ধৰ্ম-চৰ্চা।

* শঙ্কৰ চৰিত—ৰামচৰণ ঠাকুৰ। ‡ শঙ্কৰ চৰিত—ৰামচৰণ ঠাকুৰ।
† গুৰু চৰিত—দৈত্যাৰি ঠাকুৰ।

হল।* সাধাৰণৰ দৃষ্টিত নপৰাকৈ বেদত থকা অমূল্য ৰত্ন হৰিনাম শ্ৰীশঙ্কৰে পাই পণ্ডিতৰ গৰ্ব চূৰ, কৰি সকলো ধৰ্মৰ ৰাজা এক শৰণ হৰিৰ নাম-ধৰ্ম ব্যাখ্যা কৰিবলৈ ধৰিলে। তেওঁৰ গীত, কবিতা আদি শুনি ৰাজ্যৰ লোক মোহিত হল। তেওঁৰ শ্ৰী, যশ, দান, ভূতদায়া আৰু পুত্ৰ সদৃশ ভক্তসকলক ভক্তিদানত তেওঁৰ অপাৰ স্নেহত সকলো মুগ্ধ হল।†

দ্বিতীয় বৈকুণ্ঠ-ৰৰদোৱা।

ঊনৈশ বছৰ বয়সতেই গুৰুৱে গোবিন্দৰ নাম-গুণ-যশ প্ৰকাশ কৰে আৰু জগতৰ লোকে পৰম আনন্দে গাবলৈ ধৰে।‡ বুঢ়া খাঁ আদি ভূঞা আৰু ব্ৰাহ্মণসকলৰ অনুৰোধ ৰক্ষা কৰি প্ৰভুৱে কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল গঢ়োৱাই নিজে বৈকুণ্ঠৰ পট অঙ্কন কৰি নানা মুখা সজোৱাই চিহ্নযাত্ৰা ভাওনা কৰি দেখুৱায়। এই ভাওনাত প্ৰভুৱে ছয়টা খোল একেলগে বজাইছিল। সমাজৰ লোকে ভাওনা চাই থাকোঁতে বৈকুণ্ঠত থকা যেন বোধ কৰিছিল আৰু সকলোতে প্ৰভু শঙ্কৰক দেখা পাইছিল আৰু শেষত শঙ্কৰক ঈশ্বৰ জ্ঞান কৰি শৰণ ভিক্ষা কৰিছিল। ৰামচৰণ ঠাকুৰে লিখিছে তাৰ পাছ দিনা শ্ৰীশঙ্কৰে "উদ্ধৱ-সংবাদ" লিখে আৰু এই শাস্ত্ৰ থাপনাত থৈ ৰামৰাম গুৰু আদি কেইবাজন ব্ৰাহ্মণক, বুঢ়া খাঁ আদি ভূঞা আৰু সৰ্বজয়, বলোৰাম, শ্ৰীৰাম, জয়ৰাম, হৰিদাস, হৰিহৰ আদিক প্ৰভুৱে শৰণ দিয়ে।

---

* শঙ্কৰ চৰিত—ৰাম চৰণ, । † গুৰু ভটিমা—শ্ৰীমাধৱদেৱ।

‡ নামঘোষা—শ্ৰীমাধৱদেৱ।

কুৰি বছৰ বয়সত প্ৰভুৱে আলিপুখুৰী ত্যাগ কৰি পূৰ্ব পুৰুষৰ ৰাজধানী বৰদোৱালৈ আহে। ইয়াত তেওঁ হাটি-বাটি পাতি কীৰ্ত্তন ঘৰ সজাই ভক্ত আৰু জ্ঞাতিসকলৰ সৈতে বাস কৰিবলৈ ধৰে। কীৰ্ত্তন ঘৰৰ ভেটি তোলোঁতে প্ৰভুৱে শিলৰ বাসুদেৱ মূৰ্ত্তি এখন পাইছিল; সৰ্বসাধাৰণৰ মন আকৰ্ষণ কৰিবলৈ শ্ৰীশঙ্কৰে মূৰ্ত্তিখন আসনত ৰাখি ৰামৰাম গুৰুৰ হতুৱাই পূজা কৰোৱায়; পূজা কৰি থাকোঁতে মূৰ্ত্তিখন শ্ৰীমন্ত শঙ্কৰ প্ৰভুৰ লগত মিলি যোৱা দেখি সকলো সমজুৱা স্তম্ভিত হয়।

প্ৰভু শঙ্কৰে দুপৰীয়া ভোজনৰ পাছত দোপদৰত বহি ধৰ্মচৰ্চা আৰু শাস্ত্ৰচৰ্চাৰ কাম কৰিছিল; আৰু কোনো কোনো দিন আবেলি নিজ এলেকাৰ গাওঁ-ভূই পৰিদৰ্শন কৰিছিল। বাৰিষা বৰদোৱাৰ ওচৰৰ টেম্পৰাণী জানেদি ব্ৰহ্মপুত্ৰৰ পানী সোমাই কোনো কোনো বছৰ উৎপাত কৰে দেখি প্ৰজাবিলাকে এসময়ত আপত্তি কৰাত গুৰুৱে ব্ৰাহ্মণ-চণ্ডালৰ পাৰ্থক্য গুচাবলৈ ৰাধিকা নামৰ এগৰাকী মাছমৰীয়া জাতিৰ তিৰোতাৰ হতুৱাই জান বন্ধ কৰোৱাই দিয়ে।* খৰালি বৰদোৱাবাসীৰ পানীৰ কষ্ট দেখি হৰি কীৰ্ত্তনৰ বলেৰে নিশাৰ ভিতৰতে অৰ্দ্ধচন্দ্ৰাকৃতিৰ এটা বিশাল পুখুৰী কৰোৱাই পানীৰ কষ্ট দূৰ কৰে।†

---

*পৰবৰ্ত্তী কালত ইয়াক "শাস্তীজান" বোলে। †পাছত ইয়াক "আকাশী গঙ্গা" বোলে।

প্ৰভুৱে সকলোৱে ভিতৰত নিজক দেখি কিন্তু বাহিৰত সকলোকে জড়জ্ঞান কৰি প্ৰায় ৩৯ বছৰ বয়সলৈকে ধৰ্মৰাজ্য আৰু সংসাৰ চলোৱাৰ পাছত পত্নী বিয়োগ হয়; আৰু তাৰ পাছতেই ৰামৰামগুৰু, নৰোত্তম, কন্দলি, সৰ্বজয়, বলৰাম, হৃষিকেশ, পৰমানন্দ আদি সোতৰজন ভক্তক লগত লৈ তীৰ্থ যাত্ৰা কৰে। এই যাত্ৰাত গঙ্গা, সীতাকুণ্ড, বৰাহক্ষেত্ৰ, গয়া, কাশী, প্ৰয়াগ, মথুৰা, বৃন্দাবন, গোকুল, পুষ্কৰ, দ্বাৰকা, শ্ৰীক্ষেত্ৰ আদি ভাৰতৰ ভালেমান তীৰ্থ পৰ্যাটন কৰি বাৰ বছৰ কটায়। শ্ৰীমন্ত শঙ্কৰ হৰি ভক্তৰ কল্পতৰু।* তেওঁ তীৰ্থ পৰ্য্যটন কৰোঁতে ভাৰতৰ বিভিন্ন ঠাইৰ ভক্তৰ প্ৰাৰ্থনা এৰাব নোৱাৰি বহুতকো হৰিত শৰণ দিবলগীয়া হৈছিল। গোকুলবাসীয়ে প্ৰভুক দেখি সেৱা জনায় আৰু প্ৰভুৰ পাছ নেৰা হয়। চৰিত্ৰত আছে গোকুলত এদিন ৰাতি প্ৰভু শ্ৰীশঙ্কৰে চতুৰ্ভুজ কৃষ্ণৰূপ ধৰে আৰু গোপ-গোপীসকলে তেৰাক মাজত লৈ মণ্ডলাকাৰে বহে।†

তীৰ্থ যাত্ৰা।

প্ৰভু ভাৰত ভ্ৰমণ কৰি আহি বৰদোৱা পায়। প্ৰভুক দেখি জ্ঞাতি সকলে আৰু ৰাজ্যৰ সকলো প্ৰজাই পৰম আনন্দ পায়; জয়ন্ত-মাধৱ খুৰাক দুজনে পিতৃৰ বিষয় সম্পত্তি গুৰুক পুনৰ সোধাই দিয়ে। ইয়াৰ পাছত গুৰুৱে প্ৰজা সাধাৰণৰ অনুৰোধ এৰাব নোৱাৰি শিঙৰিৰ ৰাম ভূঞাঁৰ কন্যা কালিন্দী আইক ২য় বাৰ বিবাহ কৰে। তীৰ্থ পৰ্যাটন কৰি কুৰা কালৰ ভিতৰত কছাৰি আৰু আহোম ৰাজাৰ প্ৰভাৱ বৰদোৱা অঞ্চলত

উজনিত ধৰ্ম প্ৰচাৰ।

* নাম ঘোষা—৩৭৫ ঘোষা। †শঙ্কৰ চৰিত—১৯৯৯ পদ ৰামচৰণ ঠাকুৰ।

বৰ বেচিকৈ পৰে। শ্ৰীশঙ্কৰ প্ৰভুৱে শাৰীৰিক বল প্ৰয়োগ-নীতিৰে নিজক ৰক্ষা কৰিবলৈ ভাল নাপাই বৰদোৱা ত্যাগ কৰাকেই স্থিৰ কৰে। তেওঁ পোনতে ভক্ত আৰু জ্ঞাতিসকলক ব্ৰহ্মপুত্ৰ পাৰহৈ উত্তৰ পাৰে ভলুকাগুৰিলৈ যাবলৈ দিয়ে। পাছত প্ৰভু গৈ সিবিলাকৰ লগ ধৰে। ভলুকাগুৰিত তিনি পখ থাকি পূবলৈ গৈ কোমোৰাকুটাত কিছু দিন থাকে। ইয়াতো সৰহ দিন নাথাকি আৰু পূবলৈ গৈ গাংমৌ নামে ঠাইত হাটি-বাটি পাতি চাৰে সাত বছৰ কাল বাস কৰে। জগদীশ মিশ্ৰ নামৰ এজনা বিপ্ৰই জগন্নাথ মহাপ্ৰভুৰ সন্মুখত ভাগৱত পাঠ কৰিবলৈ গৈ স্বপ্নাদেশ পাই তাত পাঠ নকৰি ইয়াত থকা কালতেই প্ৰভু শঙ্কৰৰ আগত ভাগৱত পাঠ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰে। শ্ৰীগুৰুৰ তিনি জনা পুত্ৰ ইয়াতেই জন্মে।

ব্ৰহ্মপুত্ৰৰ উত্তৰকুলো এই সময়ত ভূঞাসকলৰ অধিকাৰত আছিল; কিন্তু তেওঁলোক ক্ৰমে দুৰ্বল হৈ পৰাত এই অঞ্চলত উত্তৰৰ ভোটবিলাকৰ মাজে সময়ে উৎপাত হয়। শ্ৰীগুৰুৱে অশান্তি বোধ কৰি গাংমৌ এৰি লোহিতেৰে মাজুলী সোমায় আৰু ধুৱাহাটাত বাস কৰিবলৈ লয়। ইয়াতেই শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষে প্ৰভুৰ সঙ্গ লাভ কৰে আৰু বংশীগোপালদেৱ বাল্য কালত ইয়ালৈ আহি প্ৰভুৰ দৰ্শন লাভৰ সৌভাগ্য লাভ কৰে। ইয়াত প্ৰভুৱে কৰোলা বাঢ়ৈৰ হতুৱাই এখন গোপাল বিগ্ৰহ কটায়। চৰিতত আছে—বাঢ়ৈয়ে প্ৰভুৱে স্নান কৰি থাকোঁতে জুমি চাই সেই নমুনাত মূৰ্ত্তিখনি কাটিছিল। এই মূৰ্ত্তি প্ৰতিষ্ঠা কৰোঁতে পূজাৰীৰ ফুল-তুলসী শঙ্কৰ প্ৰভুৰ গাত পৰিছিল বুলি চৰিত্ৰত উল্লেখ আছে। ইয়াত শ্ৰীগুৰু ওঠৰ বছৰ বাস

কৰাৰ পাছত আহোম ৰজাৰ কোপত পৰে। এই সময়ত কামৰূপ-কমতাত কোচ ৰজা নৰনাৰায়ণ অতি প্ৰভাৱশালী হৈ উঠা শুনি প্ৰভু সশিষ্যে ভটিয়াই আহে। প্ৰভু পোনতে কামৰূপৰ কাপলাত ছমাহ থাকে, তাৰ পাছত চূনপৰাত (বৰপেটা) বাস কৰে গৈ। ইয়াতেই ভবানন্দে (নাৰায়ণ ঠাকুৰ) প্ৰভুৰ সঙ্গ লাভ কৰে। চূনপৰাত অলপ দিন থাকিয়েই কুমাৰকুছিলৈ (বৰপেটাৰ ওচৰতে) পাছত পাটবাউসীলৈ আহি বাস কৰে।

দ্বিতীয় দ্বাৰকাপুৰী -পাটবাউসী।

পাটবাউসী কৃষ্ণ শঙ্কৰৰ দ্বাৰকাপুৰি। ইয়াত বাস কৰা কালত কোচ ৰজাই প্ৰভুৰ পৰিচয় পাই জোৰ কৰি প্ৰভুক বাউসী বিলাতৰ গোমস্তা পাতে। ৰজাৰ আদেশত প্ৰভুয়ে ধৰ্ম ৰাজ্যৰ লগতে বাধ্য হৈ ৰাজবিষয় চলাব লগাত পৰে; পাছত "বৃন্দাবনী" নামৰ কৃষ্ণলীলাৰ এখন কাপোৰ বোবাই ৰজাক উপঢৌকন দিহে এই ৰাজ বিষয়ৰপৰা নিষ্কৃতি লাভ কৰে। শ্ৰীগুৰুৰ এই দ্বাৰকালীলাৰ সময়ত শ্ৰীশ্ৰীদামোদৰদেৱ আৰু শ্ৰীশ্ৰীহৰিদেৱে প্ৰভুৰ সঙ্গ লাভ কৰে। শ্ৰীশঙ্কৰে অহৰ্নিশে নিৰ্গুণ কৃষ্ণৰ গুণ প্ৰকাশ কৰিবলৈ ধৰিলে আৰু তেওঁৰ সঙ্গীসকলে হৰি গুণ-নাম-শ্ৰৱণ-কীৰ্ত্তন কৰি আনন্দত আত্মহাৰা হল। পাটবাউসী-দ্বাৰকাপুৰিত হৰি-নাম-ৰস উঠলি উঠিল আৰু শঙ্কৰ-গোবিন্দৰ প্ৰেম-অমৃতৰ নদী উজনি-ভাটিত ববলৈ ধৰিলে।* শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ আৰু শ্ৰীশ্ৰীনাৰায়ণ ঠাকুৰে হৰিনামৰ ফল চাৰি পুৰুষাৰ্থ-পতাকা হাতত লৈ জগতত হৰি-ভক্তি দান কৰি

*নামঘোষা—৭৭২ ঘোষা।

সকলো লোকক সংসাৰ-সিন্ধুৰপৰা উদ্ধাৰ কৰিবলৈ ধৰিলে। পাটবাউসীত বাস কৰা কালতেই প্ৰভুৱে তেওঁৰ প্ৰচাৰিত ধৰ্ম্মমত সুদৃঢ় কৰিবলৈ অমৰ লিখনিৰ কীৰ্ত্তনৰ বাকী খিনি, ভাগবত আৰু অন্যান্য ভালেমান গ্ৰন্থ ৰচনা কৰে। এই সময়ত চান্দচা নামে এজন বৰ হৃষ্টপুষ্ট বলী মুছলমান প্ৰভুৰ কৃপাদৃষ্টিত পৰাত সৌম্য মূৰ্ত্তি ধৰি প্ৰভুৰ আশ্ৰয় লাভ কৰে। চান্দচাই প্ৰভুক চতুৰ্ভুজ মূৰ্ত্তিৰে দেখা পাইছিল।* আৰু তাৰ ফলত চান্দচাই শেষ কাললৈকে প্ৰভুৰ পদসেৱাৰ সৌভাগ্য লাভ কৰিছিল। এইদৰে শ্ৰীমন্ত শঙ্কৰে হিন্দু, মুছলমান, পাহাৰী সকলোৰে মাজত হৰি-নাম বিলাই গোটেই উত্তৰ-পূব ভাৰতক এক সূত্ৰে বান্ধি সাম্য-মৈত্ৰি-বাণীৰ ঝঙ্কাৰ তুলিছিল; § লগে লগে প্ৰভুৰ সেৱকসকলৰ ভিতৰৰপৰা অস্পৃশ্যতা মহা পাপ দূৰতো বিদূৰ কৰি মানৱ মাত্ৰেই নাৰায়ণৰ মূৰ্ত্তি বুলি সকলোকে আকোৱালি লবলৈ অভ্যাস কৰোৱাইছিল †

প্ৰভুৰ স্থাপিত পাটবাউসী সত্ৰ গৃহী আৰু উদাসীন ভকতসকলৰ দ্বাৰা গণতন্ত্ৰৰ নিয়মে চলোৱাৰ ব্যৱস্থা কৰি দিছিল। দূৰৰ ভকতসকল থকা গাওঁবোৰতো নামঘৰ সজোৱাই সেই সেই গাৱঁ সেই সেই নাম ঘৰৰ তলত ৰখা আৰু গাৱঁৰ বাদ-বিসম্বাদ, ভাওনা-সবাহ

---

* চান্দচাই চাৰিখন হাত দি এটা ঢোলা চিলাই কৰি প্ৰভুক দিয়া চৰিত্ত পোৱা যায়।

† নাহি ভকতিত জাতি আচাৰ বিচাৰ।
কৃষ্ণ ভকতিত সকলোৰে অধিকাৰ॥ প্ৰহ্লাদ চৰিত—শঙ্কৰদেৱ।

‡ সমস্তে ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥ ১৮২০ কীৰ্ত্তন।

সকলো গাওঁ-গয়ৰহৰ সমিল-মিল ভাবৰদ্বাৰা সম্পাদন হৈ থকাৰ ব্যৱস্থা কৰি দিছিল। প্ৰভুৱে নিজেও ভকতসকলৰ পৰামৰ্শ নোলোৱাকৈ নিজ মতে সত্ৰ সম্বন্ধীয় কোনো কাম নকৰিছিল।

প্ৰভু বিশুদ্ধ ভাৱে চলিছিল আৰু ভকতসকলৰ ভিতৰতো মাদক দ্ৰব্য ব্যৱহাৰ কৰা একেবাৰে নিষিদ্ধ কৰিছিল। সাত্বিক আহাৰ প্ৰভুৰ মতে প্ৰশস্ত আছিল কিন্তু সামিষ ভোজনক নিন্দা নকৰিছিল। আশ্ৰমৰ ভিতৰত গৃহাশ্ৰম ধৰ্মকেই প্ৰভুৱে প্ৰশস্ত বুলি প্ৰচাৰ কৰিছিল ;* কিন্তু উদাসীন ধৰ্মকো তেৰাই সামৰি লৈছিল। সেই কাৰণে গৃহী আৰু উদাসীন দুই শ্ৰেণী ভকতসকলেই তেৰাৰ সত্ৰ-সভাৰ শোভা বৰ্দ্ধন কৰিছিল।

প্ৰভু স্বয়ং আছিল আদৰ্শ গৃহী। তেৰাৰ থকা ঘৰ ৰাজ-তোলৰ দৰে আছিল—দাস-দাসীও আছিল তেৰাৰ বহুতো। দাস-দাসীসকলে নানা বিধ শস্যৰ খেতি কৰিছিল। প্ৰভুৰ ঘৰ সদায় আলহী-ভকত, দুখী-দৰিদ্ৰই ভৰি আছিল। তেৰাৰ দান দিয়া ব্যৱস্থাও আছিল যথেষ্ট ; কোনো সহায়-প্ৰাৰ্থীলোক তেৰাৰ ঘৰৰপৰা বিমুখ নহৈছিল। চক্ৰপাণি নামৰ কায়স্থ পণ্ডিত এজনাক ঘৰত ৰাখি পুত্ৰ-কন্যাৰ শিক্ষাৰ ব্যৱস্থা ওহঁশৃঙ্খলাভাৱে দিয়াইছিল। দুপৰীয়া ভোজনৰ পাছত শিৰোমণি ভূঞা দোপদৰত বহাৰ দৰে প্ৰভু বৰ চ'ৰাত বহি দূৰ দূৰান্তৰ পৰা অহা লোকসকলক সাক্ষাৎ দিছিল। এই সময়ত কেঁতিয়াবা কেতিয়াবা তেওঁ নিজৰ খেতি-বাতিৰো সংবাদ লৈছিল।

---

* তৰিবা সংসাৰ আৰ শ্ৰৱণ-কীৰ্ত্তন॥
গৃহতে থাকিয়া সুখে মহা পুণ্য সাঞ্চা।
বোলা হৰি হৰি যম যাতনাক ৰক্ষা॥ ১৯২৮ কীৰ্ত্তন।

প্ৰভুৱে ৰামৰাম গুৰু, শ্ৰীশ্ৰীমাধৱদেৱ, ৰামৰায় আদি ছকুৰি ভকত লগত লৈ প্ৰায় নব্বৈ বছৰ বয়সত পাটবাউসীৰ পৰা ২য় বাৰ তীৰ্থ যাত্ৰা কৰে। এইবাৰৰ যাত্ৰাত প্ৰভু কেনেবাকৈ বৃন্দাবন পালে পূৰ্বদেশ পাহৰিব পাৰে বুলি সন্দেহ কৰি আইমাতৃয়ে বৃন্দাবনলৈ যোৱাত বাধা দিবৰ অৰ্থে শ্ৰীশ্ৰীমাধৱদেৱক খাটনি ধৰিছিল। শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষে আই মাতৃৰ কথা এৰাব নোৱাৰি প্ৰভুক গঙ্গা, নবদ্বীপ, কবিৰাৰ মঠ, মহানদী আৰু শ্ৰীক্ষেত্ৰ মাত্ৰ পৰ্য্যটন কৰাই ঘূৰাই লৈ আহে।

দ্বিতীয়বাৰ তীৰ্থ যাত্ৰা।

প্ৰভুৰ প্ৰভাৱ দিনক দিনে বাঢ়ি যোৱা দেখি বহুতে মহাৰাজ নৰনাৰায়ণৰ ওচৰত নানা ভাৱে খল লগায়। ৰজাই শ্ৰীগুৰুক ৰাজধানীলৈ নিয়ালত ৰাজসভাৰ পণ্ডিত মণ্ডলীৰ লগত প্ৰভুৰ বাদ হয়; পণ্ডিত সকল বাদত হৰাত ৰজাই প্ৰভুক নানা ভাৱে সন্মান দেখুৱায়। এই সময়ত গুৰুৱে এক নিশাৰ ভিতৰতে দশম স্কন্ধ ভাগৱতৰ সংক্ষিপ্ত সাৰ গুণমালা ৰচনা কৰি ভুৰুকাত ভৰাই মহাৰাজক দান কৰে। ইয়াৰ পাছত প্ৰভু পাটবাউসীলৈ ঘূৰি আহি কিছুদিন থাকি প্ৰভাস তীৰ্থৰূপ কাকতকুটালৈ যায়। কাকতকুটাত প্ৰভু প্ৰায় আঢ়ৈ বছৰ থাকে; পাছত ১৪৯০ শকৰ ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিৰ দিনা দিনৰ ডেৰ পৰ মান বেলাত ভকতসকলৰ হৰিকীৰ্ত্তনৰ মাজত বৈকুণ্ঠ প্ৰয়াণ কৰে।

দ্বিতীয় প্ৰভাস তীৰ্থ কাকতকুটা।

শ্রীশ্রীশঙ্কৰ গুৰুৱে চৈতন্যময় সৰ্বব্যাপী সূক্ষ্মৰূপ এক নিৰঞ্জন নাৰায়ণৰ সেৱা প্ৰচাৰ কৰিছিল।* আৰু লগতে এই নিৰ্গুণ ঈশ্বৰৰ গুণ প্ৰকাশ কৰিবলৈ নাৰায়ণৰ লীলাময় ৰূপ শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী বনমালী চতুৰ্ভুজ শ্ৰীকৃষ্ণৰ উপসনা লোকত চলাইছিল।§ ভগবানৰ নাম-গুণ-শ্ৰৱণ-কীৰ্ত্তনেৰে "যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ" বোধ কৰি নিষ্কামভাৱে একমাত্ৰ ভগবানকেই একান্ত মনে ভজনা কৰিবলৈ শ্ৰীশঙ্কৰে সকলোকে উপদেশ দিছিল। সেব্য-সেৱক ভাৱৰ প্ৰাধান্য ৰাখি দাস্য ভাৱে হৰিক ভজনা কৰিবলৈ তেওঁ সকলোকে উপদেশ দিছিল। ইয়াৰ উপৰি শ্ৰীশঙ্কৰে কৃষ্ণ ভক্তিত সকলোৰে অধিকাৰ থকা ঘোষণা কৰি হিন্দু-মুছলমান-পাহাৰী সকলোৰে মাজত কৃষ্ণ-প্ৰেম বিলাই সাম্য-মৈত্ৰী ভাৱেৰে জগতক একসূত্ৰে বান্ধিছিল ‡।

শ্ৰীগুৰুৰ ধৰ্মমত

শ্ৰীগুৰুৰ ৰচিত প্ৰধান গ্ৰন্থ এই কেইখন—কীৰ্ত্তন, ভাগৱত [১ম, ২য় স্কন্ধ, অনাদি-পাতন (৩য়) অজামিল উপাখ্যান (৬ষ্ঠ), প্ৰহ্লাদ চৰিত (৭ম), অমৃত মথন (৮ম স্কন্ধ) হৰিশ্চন্দ্ৰ উপাখ্যান (৯ম), আদ্য দশম, কুৰুক্ষেত্ৰ (শেষ দশম), ১১শ আৰু ১২শ স্কন্ধ] ৰামায়ণ—উত্তৰাকাণ্ড, বৰগীত, ৰামমালিকা, ৰুক্মিণীহৰণ (পদ), ভক্তি ৰত্নাকৰ (সংস্কৃত), অঙ্কীয়া নাট—কালিয়দমন, ৰামবিজয়, ৰুক্মিণীহৰণ, কেলিগোপাল, পাৰিজাত হৰণ, পত্নী-প্ৰসাদ ইত্যাদি।

প্ৰভুৰ অমূল্য গ্ৰন্থ সমূহ।

আমাৰ ক্ৰটীৰ বাবে শ্ৰীগুৰুৰ শ্ৰীশ্ৰীচৰণত ক্ষমা খুজিলোঁ। আৰু সুধীসকলৰপৰা আমাৰ দোষ সংশোধনৰ সঙ্কেত পাম বুলি আশা কৰিলোঁ।

সেৱক—

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

---

* কীৰ্ত্তন—১ পদ। † কীৰ্ত্তন—১৬৭০ পদ। শ্ৰীশ্ৰীশঙ্কৰৰ মতক বিশিষ্টাদ্বৈতবাদ বুলি ধৰিব পাৰি। ‡ কীৰ্ত্তন—প্ৰহ্লাদ চৰিত।

শ্ৰীমন্ত শঙ্কৰ দেৱৰ

# বৰগীত

শ্ৰীকৃষ্ণায় নমঃ

১

## ৰাগ—আসোৱাৰি

ধ্ৰুং—জয় জয় জাদৱ জলনিধীযাধৱ ধাতা,
শ্ৰুতমাত্ৰাখিলত্ৰাতা, স্মৰণে কৰয় সিদ্ধি।
দিন দায়ানিধি, ভকত মুকুতিপদদাতা॥

পদ—জগজনজিৱন, অজনজনাৰ্দ্দিন, দনুজদমন দুখহাৰি,
মহদানন্দ, কন্দ পৰমানন্দ, নন্দনন্দনবনচাৰি॥
বিবিধবিহাৰ, বিসাৰদ সাৰদ, ইন্দুনিন্দি পৰকাসি
সেসসয়ন সিৱ, কেসিনাসন, পীতবসন অবিনাসি॥
জগতবন্ধুবিধু, মাধৱ মধু ৰিপু, মধুৰমুকতি মুৰনাসি।
কেসব চৰণ, সৰোৰুহ কিঙ্কৰ,
শঙ্কৰ কৰু অভিলাসি॥ ১॥

জলনিধি—সাগৰ। জলনিধিজা—সাগৰ কন্যা, লক্ষ্মী। জলনিধিজাধৱ—লক্ষ্মীপতি। ধাতা—নাৰায়ণ। শ্ৰুতমাত্ৰাখিলত্ৰাতা—শুনা মাত্ৰেই সকলোকে ত্ৰাণ কৰ্ত্তা বা নাম কীৰ্ত্তন শুনা মাত্ৰেই ভক্তসকলক সংসাৰ তাপৰপৰা উদ্ধাৰ কৰোঁতা; বা বেদ পৰ্য্যন্ত (শ্ৰুতমাত্ৰ) সকলোকে ত্ৰাণ কৰোঁতা। মুকুতিপদ—মুক্তিপদ। মুক্তি পাঁচ বিধ,—সাৰ্ষ্টি (সমান ঐশ্বৰ্য্যযুক্ত), সালোক্য, সাৰূপ্য, সাযুজ্য আৰু নিৰ্ব্বাণ বা একত্ব। সিদ্ধি—আঠবিধ—অনিমা লঘিমা প্ৰাপ্তিঃ প্ৰাকাম্যং মহিমা তথা। ইশিত্বঞ্চ বশিত্বঞ্চ তথা কামাৱসায়িতা॥ ইতি।

জগজন জীৱন—জগতৰ জীৱৰ প্ৰাণ। অজন- জন্ম ৰহিত, সনাতন, নিত্য। জনাৰ্দ্দন—মায়াতীত, মায়া মৰ্দ্দনকাৰী। কন্দ—মূল, মূল কাৰণ। মহদানন্দ কন্দ—পৰমানন্দৰ উৎস বা মূল কাৰণ। বিবিধ বিহাৰ বিশাৰদ—নানাবিধ ক্ৰীড়াত নিপুণ। শাৰদ ইন্দু নিন্দি পৰকাশী—শৰৎ কালৰ চন্দ্ৰৰ জ্যোতিতকৈ যাৰ দেহৰ কান্তি বেচি উজ্জল ভাৱে প্ৰকাশ হৈছে। শেষ শয়ন—অনন্ত নাগৰ ফনাত শয়ন কৰোঁতা। শিৱ- মঙ্গলদায়ক। কেশী বিনাশন—কেশী দৈত্যক মাৰোঁতা। অবিনাশী—যাৰ ধ্বংস নাই, নিত্য। জগত বন্ধু—জগতৰ প্ৰিয়। বিধু—চন্দ্ৰ। জগত বন্ধু বিধু—যিজনে ভক্তসকলৰ অন্তৰৰ পাপ দূৰ কৰে। সৰোৰুহ—পদ্ম।

২

## ৰাগ—নাট মল্লাৰ

ধ্ৰুং—মধুৰ * মুৰুতি মুৰাৰু। মন দেখো হৃদয়ে হামাৰু॥
ৰূপে অনঙ্গ সঙ্গ তুলনা তমু, কোটি শুৰুজ উঝিৰাৰু॥

পদ—মকৰ কুণ্ডল গণ্ড, মণ্ডিত খণ্ডিত, চান্দৰোচিস্মিত হাসা॥
বনক বিবিত, জড়িত ৰতনা নব, নিৰুজ নয়ন বীকাসা॥

---

পাঠান্তৰ* :— মধুৰি—

চতুৰ উজ্জ্বল কৰ, কঙ্কন কেয়ুৰ ভুজ, মহমতিম হাৰু।
লিলা বিনোদী, কম্বুকৌমোদি চক্ৰকেৱিকঞ্জ ধাৰু॥
স্যাম সৰিৰ, † ৰচিতপিত অম্বৰ, উৰে বনমালা লুলে।
কৌস্তুভ সোভিত, ‡ কণ্ঠকটি কাঞ্চি, কিঙ্কিনি কনয়া দোলে॥
অৰবিন্দ নিন্দি, পাৱ নৱপল্লৱ, ৰতন নুপুৰ পৰকাসা।
ভকত পৰম ধন, তাহে মজোক মন, শঙ্কৰ এহু § অভিলাসা॥ধ্ৰুং২॥

মুৰাৰু—মুৰাৰি; হামাৰ—মোৰ; অনঙ্গ—মদন; মণ্ডিত—শোভা কৰা। গণ্ড—গাল। মকৰ কুণ্ডল মণ্ডিত গণ্ড—মগৰৰ আকৃতিৰ কুণ্ডলে শোভা কৰা গালে। খণ্ডিত—ছিঙা, হীন কৰা বা চেৰ পেলোৱা। ৰুচিস্মিত হাসা (ৰুচি—দীপ্তি; স্মিত—মিচিকিয়া) মনোমুগ্ধকাৰী মিচিকিয়া হাঁহি। মকৰ·········হাসা—মগৰৰ আকৃতিৰ কুণ্ডলে শোভা কৰা গালে। চন্দ্ৰকো (চন্দ্ৰৰ দীপ্তিকো) মিচিকিয়া হাঁহিৰে চেৰ পেলাইছে। কিৰিত—কিৰীটি। কনক কিৰীট জড়িত ৰতনা—নানা প্ৰকাৰ মণিমুক্তাৰে খচিত সোণৰ মুকুট। নীৰজ—পদ্ম। বিকাশা—প্ৰকাশ হোৱা। নৱ·········বিকাশা—নতুনকৈ ফুলা পদ্মৰ দৰে শোভা পোৱা চকুজোৰ। চতুৰ—চাৰি। উজ্জ্বল—উজ্জ্বল। চতুৰ·········কঙ্কন—চাৰি হাতত উজ্জ্বল কঙ্কণ। কেয়ূৰ—বাজু। কেয়ূৰ ভুজ—বাহুত বাজু। মহ—মাজত। মোতিম—মুক্তা। হাৰু—হাৰ। মহ···হাৰু—বুকত মুক্তাৰ হাৰ। কেৱিকঞ্জ—নীলপদ্ম; ধাৰু—ধাৰণ কৰোঁতা। কম্বু—শঙ্খ। লীলা বিনোদী—আনন্দময় বা ক্ৰীড়াযুক্ত লীলা। কৌমুদী—গদা; কৌমোদকী নামে গদা। লীলা·········ধাৰু—আনন্দময় লীলা শঙ্খ, গদা, চক্ৰ, নীলপদ্মধাৰী। লোলে—ওলমি পৰে। কাঞ্চী—ককালত পিন্ধা ঘুগুৰাৰ মেখলা। কিঙ্কিণী—ঘুগুৰাৰ টঙ্কাৰ্নি (ককালত পিন্ধা)

পাঠান্তৰ:— † সৰিৰে—পাঠান্তৰ। ‡ সোভি—পাঠান্তৰ। § কহ—

কনয়া—সোণ। দোলে—ওলমি লৰচৰ কৰে। অৰবিন্দ-পদ্ম। নৱপল্লৱ—গছৰ নতুন কুঁহিপাত।

৩

## ৰাগ—আসোৱাৰি।

ধ্ৰুং—শুন শুনৰে, সুৰ বৈৰি প্ৰমানা, নিসাচৰ নাস নিদানা।
ৰাম নাম যম, সমৰক সাজিয়েঁ *
সমদলে কয়লি পয়ানা॥

পদ—ঠাট † প্ৰকট পটু, কোটি কোটি কপী, গিৰি গড়গড় পদ ঘাৰে।
বাৰিধি তীৰ ‡ তৰি, কৰে গুৰুতৰ গিৰি, ধৰি ধৰি সমৰক ধাৰে॥
হাটি ঘাট বহু, বাট বিয়াপি, চৌগড় বেঢ়লি লঙ্কা।
গুৰু ঘন ঘন ঘোষ, ঘৰিসণ গৰ্জ্জন, শ্ৰৱনে জনময় সঙ্কা॥
ধীৰ বিৰ সুৰ §, সেখৰ ৰাঘৱ, বান্নন তুৰা পৰি ঝাম্পে।
সুৰ নৰ কিন্নৰ, ফনধৰ v তৰতৰ, মহিধৰ তৰসি প্ৰকাম্পে॥
অন্ধ মুগুধ দশ, কন্ধ পাপ বুধ, জানেকি সিৰত চড়াই,
ৰঘুপতি পদ বৰ, ধৰ ৰজনিচৰ, শঙ্কৰ কহতু x উপায়ী॥৩॥ধ্ৰুং॥

প্ৰমাণা—প্ৰমাণ, প্ৰধান। নিশাচৰ,—ৰাক্ষশ। নাশ-নিদানা—নাশৰ প্ৰথম কাৰণ। শুন, শুন·········নিদানা—ৰাক্ষস কুল নাশকাৰী দেৱতাৰ প্ৰধান শত্ৰু শুন। ৰাম নাম যম—ৰাম নামেৰে যম। কয়লি পয়ানা—প্ৰয়াণ কৰিছে, যাব ধৰিছে। ৰাম······পয়ানা—ৰাম নামেৰে (যুদ্ধযাত্ৰাত কৰা "জয়-ৰাম" ধ্বনিয়ে) যম যুদ্ধ সাজি সসৈন্যে যুদ্ধ যাত্ৰা কৰিছে। ঠাট—দল। প্ৰকট—ব্যক্ত প্ৰকাশ। পদ ঘাৰে—ভৰিৰ

পাঠান্তৰ:- * সাজি। † ঠাঠ। ‡ তৰি। § সুৰ। v ফনিধৰ। x কহন্তু।

শব্দত। হৰ শেখৰ—দেৱশ্ৰেষ্ঠ বা বীৰশ্ৰেষ্ঠ। তুৱাপৰি—তোমাৰ ওপৰত। ফনধৰ—নাগ। মহীধৰ—পৰ্বত। তৰসি—ভয়ত। চড়াই—তুলিলৈ।

৪

## ৰাগ—ধনশ্ৰী।

ধ্ৰুং—নাৰায়ণ; কাঁহে ভকতি কৰো তেৰা।
মেৰি পামৰুমন, মাধৱ ঘনে ঘন,
ঘাতুক পাপ নছোৰা।

পদ—যত জিব জঙ্গম, কিট পতঙ্গম, অগনগ জগতেৰি কায়া।
সবকহু মাৰি, পুৰত ওহি উদৰ, নাহি কৰতু * ভুত দায়া॥
ঈসস্বৰূপে হৰি, সব ঘটে বৈঠহ, জৈচন গগন বিয়াপী।
নিন্দাবাদ পিশুন হিংসা হৰি, তেৰি কৰোহো হামুপাপী॥
কাকু শঙ্কৰ কৰ, কৰ † করুণা নাথ, জোনোচাৰহোঁ ৰামবাণি।
সব অপৰাধক বাধক তুৱা নাম, তাহে সবা লেহু জানি॥ধ্ৰুং ৪॥

কাঁহে—কেনেকৈ। মেৰি—মোৰ। নাছোৰা—নেৰা। পামৰু—পাপী। ঘনে ঘন—বাৰে বাৰে, সদায়। ঘাতুক—মাৰক; নাশকাৰী। মেৰি…নাছোৰা—হে মাধৱ, মোৰ পাপীমন সদায় সৰ্বনাশকাৰী পাপ নেৰে (ত্যাগ নকৰে) অৰ্থাৎ মোৰ পাপীমনে সদায় পাপ এৰিব নোৱাৰে। কাকু—কাকুতি। জঙ্গম—চলিব পাৰা, মানুহ আদি। অগ—চলিব নোৱাৰা, যেনে উদ্ভিদ। নগ—পৰ্বত। সবকহু—সকলোকে। পুৰত—ভৰোৱা। নিন্দা—পৰৰ দোষ কোৱা। বাদ—তৰ্ক, অসজ আলোচনা। পৈশুন্য—খলস্বভাব।

পাঠান্তৰ:—* কৰত। † কৰু।

৫

## ৰাগ—তথা।

ধ্ৰুং—নাৰায়ণ চৰণে কৰোহো গোহাৰি ;
বিসয় বিলাস পাস চান্দি ইন্দ্ৰিয় ;
মোহি ওহি লুটে বাটোৱাৰি।

পদ—নাসাগন্ধ ; মধুৰৰষ ৰসনা, শ্ৰৱন বিবিধ ধ্বনি ধায় ।
নয়না ৰূপ ; পৰষ ত্বচ চাহে, কাহে ভজোঁহো পহু পায় ॥
কাম ক্ৰোধ মদ ; মান মোহ মেৰি, ঐসব বৈৰি বিসাল ।
শঙ্কৰ কহ পহু, তুহু বিনে নাই আন, সেৱকপাল গোপাল ॥৫॥

বিলাস—ভোগ, বাসনা। পাশ—জাল। চান্দি—আগুৰি বা ঢাকি ধৰি। বাটোৱাৰি—ভাগ ভাগ কৰি নিয়া। মোহি—মোক। বিসয়…বাটোৱাৰী—ইন্দ্ৰিয়বোৰে সাংসাৰিক বিষয় লালসাৰ জালেৰে মোক মেৰাই ধৰি ডকাইতি কৰি মোক লুটিলে। ৰসনা—জিভা। পহু—প্ৰভু। সেৱকপাল—সেৱকক ৰক্ষা কৰোঁতা। কাহে—কেনেকৈ, কি ; পায়—উপায়।

৬

## ৰাগ—তথা।

ধ্ৰুং—সাৰঙ্গপানি পাহে পামৰমতি হামি।
নিৰয় নিবাৰ ; আৱৰী নাহি হেৰহু,
বিনে চৰণ তজু * স্বামি ॥

পদ—জৰা মৰণ মেৰি ; নিকটহি আয়া, কায়া পৰ কেতি † বেৰি।
কৰতহোঁ পাপ ; সমাপল আৰি ; ভাবি চৰণ না তেৰি ॥

---

পাঠান্তৰ :- * তচু। † কতি।

দেখুহু খীন; দিন দিন দেহা: আধি ব্যাধী বিঘাত *।
অন্তকালে গতি, মোৰ কমলাপতি † শঙ্কৰ কৰ প্ৰনিপাত ‡ ॥৬॥

শাৰঙ্গপাণি—শাৰ্ঙ্গ ধনু হাতত যাৰ, বিষ্ণু। পাৰ—উদ্ধাৰ কৰা। নিৰয়—নৰক। আৰবি—আৰু। নিবাৰু—নিবাৰণ কৰা বা গুচোৱা। হাসি—মই। হেৰোহোঁ—দেখোঁ। কেতিবেৰি—কিমান পৰত। কৰতহু—কৰি আছো। সমাপন—শেষ কৰিলো। আৰি—আয়ুস। আধি—মানসিক দুখ। আধি ব্যাধি বিঘাত—মানসিক তাপ আৰু শাৰীৰিক কষ্টে ক্লিষ্ট।

৭

## ৰাগ—ভথা।

ধ্ৰুং—নাৰায়ণ লিলা জানব কৈই। সনক সনাতন চিন্তি চতুৰ মুহ;
অধীকহি বিমোহিত হোই॥

পদ—কোটি কোটি অণ্ড; আবৃত জাবৃত; বোম বন্ধু সহ জাৰা।
সোহি ভুমি ভাৰ; হৰসি শুৰ শুকৰ; নৰসিংহ § অৱতাৰা।
যত দেখু কায়া; সুত বিত্ত জায়া; মায়াকো ∨ সৱ ধন্ধ।
হামু যত জীৱ; সিৱ তেৰি অংশা; কাহে ওহি মোহ বন্ধ॥
শঙ্কৰ কহ পহু; পয়ৰহি লাগোঁ; মাগো নাহি আন কামা।
ওহি কৃপা বৰু; ৰূপ হৃদয়ে ৰহুঁ; ৰহুঁ মুহ ভৰি তেৰি নামা॥৭॥

চতুৰ মুহ—ব্ৰহ্মা। অণ্ড—জগত। মহ—মধ্যত। শূৰ—ক্ষমতাশালী। হৰসি—হৰণ কৰা। ধন্ধ—চিন্তা। পয়ৰহি—পাৱত। বন্ধু—লোম। সুত—পুত্ৰ। বিত্ত—ধন। জায়া—ভাৰ্য্যা। পহু—প্ৰভু। মুহ—মুখ।

পাঠান্তৰ:— * বিঘাতা। † কমলাপতি। ‡ প্ৰণিপাতা। § নৰ নৰসিংহ। ∨ মায়াকে।

৮

## ৰাগ—তথা।

ধ্ৰুং—বোলহু ৰাম নামেসে মুকুতি নিদানা।
ভৱ বৈতৰনি; তৰনি সুখ সৰনি;
নাহি নাহি নাম সমানা॥

পদ—নাম পঞ্চানন; নাদে পলাৱত; পাপদন্তি ভয় ভিত।
বোলিতে এক; শুনিতে শত নিতৰে; নাম ধৰম বিপৰিত॥
বচনে বুলি ৰাম; ধৰম অৰথ কাম; মুকুতি সুখ সুখে পাই।
সৱকহো পৰম; সুহৃদ হৰি নাম; চুটে অন্তকেৰি দায়ী॥
নাৰদ শুকমুনি; ৰাম নাম বিনি; নাহি কহল গতি আৰ।
কৃষ্ণ কিঙ্কৰে কয়; চোৰ মায়াময়; ৰাম পৰম তত্ত্ব সাৰ॥৮॥

নিদানা—নিদান, প্ৰথম কাৰণ। তৰনি—তৰণ, পাৰ হোৱা। সৰনি—পথ, বাট। তৰনি সুখ সৰনি—সুখেৰে তৰণৰ পথ বা উপায়। পঞ্চানন—সিংহ। নাদ—শব্দ। দন্তী—হাতী। নিতৰে—নিস্তাৰ কৰে। শত নিতৰে—চৈধ্য পুৰুষ উদ্ধাৰ কৰে। অন্তকেৰি—অন্তকৰ, যমৰ।

৯

## ৰাগ—গৌৰি।

ধ্ৰুং—নাহি নাহি; ৰময়া বিনে; তাপ তাৰক কোই।
পৰমানন্দ; পদ মকৰন্দ; সেৱহু মন মোই॥

পদ—তিৰীথ ৰৰত; তপ জপ; যাগ যোগ যুগুতি।
মন্ত্ৰ পৰম; ধৰম কৰম; কৰত নাহি মুকুতি॥
মাতু পিতু; পতনি তনয়; জনয় সব মৰনা।
চাৰহু ধন্ধ; মানস অন্ধ; ধৰতু হৰি চৰণা॥

কৃষ্ণ কিঙ্কৰ; শঙ্কৰ কহ; বিচুৰি বিসয় কামা।
ৰাম চৰনে; লেহুঁ সৰন; জপ গোবিন্দক নামা ॥৯॥

ৰময়া—ৰাম। কোই—কোনো। মকৰন্দ—পুষ্প-মধু। মোই—মোৰ। তীৰিথ—তীৰ্থ। যুগুতি—যুক্তি, তৰ্ক। জপ—আন দেৱ দেৱীৰ বীজ মন্ত্ৰ জপ। পৰম····· কৰত—পৰম ধৰ্ম কৰ্ম কৰে। জনম—পৰিয়াল। ছাড়হু—এৰা। ধন্ধ—ধান্ধা। বিচুৰি—এৰি।

১০

## ৰাগ—গৌৰি।

ধ্ৰুং—সোই সোই; ঠাকুৰ মোই; জো হৰি পৰকাসা।
নাম স্মৰত; ৰূপ ধৰত; তাকেৰি হামু দাসা॥

পদ—পণ্ডিতে পঢ়ে * সাস্ত্ৰ মাত্ৰ; সাৰ ভকতে লিজে।
অন্তৰ জল; চুটয় কমল; মধু মধুকৰ পিজে॥
জাহে ভকতি; তাহে মুকুতি; ভকতে এতত্ত্ব জানা।
জৈছে বণিক; চিন্তামণিক; জানি গুণ বখানা॥
কৃষ্ণ কিঙ্কৰ; শঙ্কৰ কহ; ভজ গোবিন্দক পায়ী।
সোহি পণ্ডিত; সোহি মণ্ডিত; যো হৰি গুণ গায়ী॥১০॥

সোই—সেইজন। ঠাকুৰ—দেৱতা, প্ৰভু। মোই—মোৰ। যো—যিজন। সোই···ৰূপ স্মৰত—যিজনে হৰি কথা প্ৰকাশ কৰে, হৰিৰ ৰূপ ধাৰণ কৰে আৰু নাম স্মৰণ কৰে তেওঁৰেই মই দাস বা গোলাম। হামু—মই। লিজে—লয়। পিজে—পিয়ে, পান কৰে। অন্তৰ জল—অন্তৰ্জল, স্থল-

পাঠান্তৰ:— * পঢ়য়—

জলৰ ভিতৰত ; মুমূৰ্ষু সময়ৰ সংস্কাৰ। অন্তৰ্জল ছুটয়—মুমূৰ্ষু সময়ৰ সংস্কাৰ এৰায়, মৃত্যুৰ হাত সাৰে। কমলমধু—পদ্মমধু, ভগৱন্তৰ পদসেৱা ৰস। মধুকৰ—মৌমাখি, ভকত। যৈচে—যি। বণিক—সুদক্ষ বেপাৰী, ভকত। চিন্তামণি—অভীষ্ট দায়ক মণি, শ্ৰীহৰি। মণ্ডিত—সৰ্বগুণযুক্ত।

## ১১

## ৰাগ—গৌৰি।

ধ্ৰুং—কমল নয়ন চিন্ত চিন্ত চেতন লাই।
বিনে হৰি ভকতি মুকুতি কতি পাই॥

পদ—নৰ ভয়ো ভাই ভাৱতে কতি ভাগা।
নকহসি ৰাম মৰসি কতি লাগা॥
চোড়ি ৰাম নাম আমীয়া উপজোগা।
জৈচে পুৰিষ শুকৰ কয়ো ভোগা॥
অথীৰ জিয়ন * ধন জৌৱন জায়া।
ভকতি বিৰোধি বিসয় সব মায়া॥
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ ভানা।
বিনে † হৰি ভকতি তৰণি নাহি আনা॥১১॥

ভয়ো—হয়। লাই—লাগি, বাবে। কতি—ক'ত, কত। উপযোগা—উপযোগী। কতি ভাগা—কি লাগি, কি নিমিত্তে। কয়ো—কৰে। ভোগা—ভোগ। পুৰীষ—বিষ্ঠা। ভাণা—ভণে; কয়। ওহি—এই। জৈচে—যেনে।

---

পাঠান্তৰ :— * জীৱন ; † বিনো ;

১২

## ৰাগ—গৌৰি ।

ধ্রুং—কমনে ৰময়া মন বিচুৰিৰহু *; বৃথা মোহে ভুলাই ।
ৰাম চৰণ; চিন্তু চিত্তকু †; মৃত্যু ভৱন উপায়ী ॥

পদ—সাফল জিৱন জেজন্তু, নিত্য ‡ জল্লতু ৰামা ।
কেশৱ নেসেৰি § জো জিয়েই v বিট কিট উপামা ॥
জাকেৰি চাকেৰি কৰতহোঁ, গতি পাতকী পায়ী ।
শঙ্কৰ কহ সোহি হৰিকো; কতি ভকতি নাকায়ী ॥১২॥

বিছুৰি ৰহু—পাহৰি থাক। চিত্তকু—হিয়াত। যো জন্তু—যি প্ৰাণী ।
জল্লতু—জপ কৰে। বিট—বিষ্ঠা। চাকেৰি—চাকৰি, দাসত্ব।
কৰত—কৰাত। সোহি—সেই। কতি—কিয়। নাকায়ি—নকৰোঁ, নকৰে ।

১৩

## ৰাগ ধনশ্ৰী ।

ধ্রুং—ওজা সোজা পন্থ নাহেৰি; কোটি কৰম কায়ী; হৰিকো
নাহি পায়ী; পৰল ভৱ বেৰি বেৰি ॥

পদ—যত তপ তিৰিথ; কৰসি গয়া কাসি; বসি বয়স গঞাই ।
জানি যোগ; যুগুতি মতি মোহিত; বিনে ভকতি গতি নাই ॥
ৰাম নাম লহ * নিখীল পুন্য ৰহ; ওহি নিগম তত্ব বাণি ।
কলিকো পৰম; ধৰম হৰি নাম; পঢ়ি পুনু মৰম † নজানি ॥

পাঠান্তৰ:- * বিচুৰহু; † চিত্ত চিন্তু; ‡ নিতু; § নাসেৰি; v জীৱই;
* মহ— মাজত † মৰম—

কৃষ্ণ কিঙ্কৰ কহ; ক্ষণিক দেহ ৰহ; নৰতনু পুনুহোঁ নপাই।
কৰম গৰব সব; দূৰ কৰি হৰি; চৰণ চিন্ত চিত্ত লাই ॥১৩॥

ওজা—পণ্ডিত, উপাধ্যায়। সোজা—সৰল, পোন। কোটি কৰম কায়ি—যাগ যজ্ঞ অসংখ্য কৰ্ম কৰিও। বেৰি বেৰি—পুনঃ পুনঃ। বাৰে বাৰে; বেলি বেলি। যুগুতি—যুক্তি, তৰ্ক। মৰম—সাৰ তত্ত্ব; মৰ্ম্ম। ৰহ—থাকে। চিত্ত লাই—মন লগাই।

১৪

## ৰাগ—সুহাই।

ধ্রুং—চিৰি ৰাম; মঞি হৰি পাপী পামৰু; তেৰি ভাৱনা নাই।
যনম চিন্তামণি কাহে গৈয়ো * ; জব † কাচকু লাই ॥

পদ—দিবসে বিসয় বিয়াকুল; নিসি যয়নে গঞাই।
মনে ধন খোজি বীমোহিত; তেৰি আৰতি নপাই ॥
হৃদয় কমলে হৰি বৈঠহ; চিন্তো চৰণ নাতেৰি।
কৰল গৰল জৈছে § ভোজন; হামু আমীয়া হেৰি ॥
পৰম মুৰুখ হামু মাধৱ; একু ভকতি নজানা।
দাস দাস বুলি তাৰহু; এহু শঙ্কৰ ভানা ॥১৪

জনম চিন্তামণি কাচক লাই—চিন্তামণি জন্ম কিয় কাচৰ কাৰণে কটোৱা। আৰতি—স্তুতি, ভক্তি। চিন্তো চৰণ না তেৰি—তোমাৰ চৰণ চিন্তা নকৰোঁ। কৰল গৰল জৈছে ভোজন—ডাকাল বিষ যেন খালো। অমিয় —অমৃত। দাস দাস দাসৰ দাস। জচ—যেনে, যেনেকৈ।

পাঠান্তৰ:— * গয়ো; † জৈচি; § জচ;

১৫

ৰাগ—বসন্ত।

ধ্ৰুং—কৈছে নৰহৰি, তৰণ উপাই।
নাস সকল কৈলো বিসয় লোভাই॥

পদ—অথিৰ জিৱন ধন জৌৱন দেৱ।
সুহৃদ সোদৰ সুত কিছো নোহে কেৱ॥
পেখিতে অমীয়া ৰষ বিস পৰিনাম।
তথীয়ে মজাইলো মন মেৰি ৰাম॥
নিৰমিল বিস বিম্বু কামিনি লোহ।
তাসু পৰল মেৰি এমন মোহ॥
তাকৰ চোড়াইতে সখ নাহি থীক।
গৰুয়া মনোৰথ বাঢ়লি ধিক॥
যনমে যনমে হাযু দাষকু দাষ।
কেশৱ সৱহু * চোড়হু মোহ পাস॥
সমনক লাই জিৱ বড় ডোৰ।
শঙ্কৰ কহ হৰি সেৱক তোৰ।১৫॥

কৈছে—কেনেকৈ। লোভায়—লোভত; লোভ কৰি। পেখিতে—দেখোঁতে। পৰিণাম—কৰ্ম কৰাৰ পাছত, শেষত। নিৰমিল—সৃজিলে। বিম্বু—বিম্বফল, পকিলে ধুনীয়া ৰঙা হয়। তাক ওঠৰ লগত তুলনা কৰা হয়; যেনে—বিম্বোষ্ঠ। কামিনী—তিৰোতা। লোহ—লোভ। তাসু—তাতে।

পাঠান্তৰ:— অবহু।

তাকৰ—তাক। ছোড়াইতে—এৰাবলৈ। সৰ্ব—সামৰ্থ। থিক—হয়। গুৰুৱা—অত্যধিক।

১৬

## ৰাগ—শ্ৰী।

ধ্ৰুং—গোপালে কি গতি কৈলে; গোবিন্দ কিমতি দিলে;
নাথ বিকলে বয়স সব গেলিবে।

পদ—এভব গহন বন; আতি মোহ পাসে ছন্ন;
তাতে হামু হৰিণা বেড়াই।
ফান্দিলো * মায়াৰ পাসে; কাল ব্যাধে ধায়া আসে;
কাম ক্ৰোধ কুক্কুৰা খেদি খাই।
হৰাইল † ছেতন হৰি; নজানো কিমতে তৰি;
গুণিতে দগধ ভৈল ‡ জীৱ।
লোভ মোহ দুহো বাঘ; সততে নছাড়ে লাগ;
ৰাখু ৰাখু সদাসিৱ॥
পলাইতে নেদেখো সন্ধি; দিনে দিনে দৃঢ় বন্দী;
ভৈলো মন্দ মনেৰ যুগুতি।
তুৱা হৰি লাগু গোড়; মোৰ মায়াপাস চোড়॥
শঙ্কৰ কৰয় কাকুতি॥ ১৬॥

বেড়ায়—ফুৰোঁ। ফন্দিলো—ফান্দত পৰিলো। কালব্যাধে—কালস্বৰূপ চিকাৰীয়ে। ধায়া আসে—খেদি আছে। সন্ধি—বাট, উপায়। গোৰ—গোৰোহা, চৰণ।

---

পাঠান্তৰ:— * ফন্দিলো; † হৰাইলো। ‡ ভেলি।

১৭

## ৰাগ—কেদাৰ।

ধ্রুং—পাৱে পৰি হৰি; কৰোহোঁ কাতৰি; প্রাণ ৰাখবি মোৰ।
বিসয় বিসধৰ; বিসে জড় জড়; জিয়ন নাৰহে থোৰ॥

পদ—অথিৰ ধন জন; জিয়ন জৌৱন;
অথিৰ এহু সংসাৰ।
পুত্র পড়িৱাৰ *; সবহি অসাৰ;
কৰবু কাহেৰি সাৰ॥
কমল দল জল; চিত্ত চঞ্চল;
থিৰ নোহে তিল এক।
নাহি ভয়ো ভৱ; ভোগে হৰি হৰি;
পৰম পদ পৰতেক॥
কহতু শঙ্কৰ; এ দুখ সাগৰ;
পাৰ কৰু হৃষিকেশ।
তুহোঁ গতি মতি; দেহু চিৰিপতি;
তত্ব পন্থ উপদেশ॥১৭

বিষধৰ—সাপ; বিষে জৰ জড়—বিষত জৰ্জৰিত; থোৰ—থস্তেকীয়া, অলপমানো। জীৱন নাৰহে থোৰ—জীৱন খন্তেকো নাথাকে। পৰতেক—প্রত্যক্ষ। ভৱভোগে—সংসাৰিক ভোগত। নাহি ভয়ো......পৰতেক—হৰি হৰি, বিষয় ভোগত সচাঁকৈয়ে পৰমপদ লাভ নহয়।

পাঠান্তৰ—* পৰিয়াৰ;

১৮

## ৰাগ—ধনশ্ৰী।

ধ্ৰুং—মন মেৰি ৰাম চৰণহি লাগু।
তই দেখনা অন্তক আগু॥

পদ—মন আয়ু ক্ষেণে ক্ষেণে টুটে।
দেখো প্ৰাণ কোন দিন ছুটে॥
মন কাল অজগৰে গিলে।
জান তিলেকে মৰণ মিলে॥
মন নিছয় পতন কায়া।
তঞি ৰাম ভজ তেজি মায়া॥
ৰে মন ই সব বিসয় ধান্ধা।
কেনে দেখি নেদেখস আন্ধা॥
মন সুখে পাৰ কৈছে নিন্দ।
তুমি * চেতিয়া চিন্ত গোবিন্দ॥
মন জানিয়া সঙ্কৰে কহে।
দেখো ৰাম বিনে গতি নহে॥১৮॥

লাগু—লাগ; আশ্ৰয় লা। অন্তক—যম। আগু—আগত। ছুটে—ওলাই যায়। পতন কায়া—শৰীৰ পতনশীল। আন্ধা—অন্ধ। সুখে পাৰ কৈছে নিন্দ—সুখত কেনেকৈ টোপনি মাৰিছা অৰ্থাৎ মায়াত কিয় মুগ্ধ হৈ আছা। চেতিয়া—চিত্তত।

পাঠান্তৰ:— * তই।

১৯

ৰাগ—ধনশ্ৰী।

ধ্ৰুং—পামৰু মন ৰাম চৰণে চিত্ত দেহু। অথিৰ জিয়ন ৰাম;
মাধৱকেৰি নাম; মৰণক সম্বল লেহু॥

পদ—ৰয়নি দিৱসে ভুৰ; আৱি জাৱত;
আৱত অন্তক গৰজি।
কথি তনু পাত; মিলত মতিমানি
ৰাম ভজহু সব বৰজি॥

আসা পাষ; পৰসি মানস পশু;
পৰলি বন্দি বেৰি বেৰি।
ভৱ কাৰাগাৰ তাৰক নাহি আৰ;
বিনে ভকতি ৰতি-তেৰি॥

অৱনিসি সেবহু; ৰাম পৰম পহু;
ৰহু হৃদী পঙ্কজ মেৰা *
কৃষ্ণ কিঙ্কৰে ভণ; ৰাম পৰম ধন;
মৰণহি সঙ্গ নাচোৰা॥১৯॥

পামৰু—পামৰ, পাষণ্ড। দেহু—দিয়া। মাধৱকেৰি—মাধৱৰ। মৰণক—মৰণৰ। লেহু—লা। ৰয়নী—ৰজনী। আৱি—আয়ুস। অন্তক—মৃত্যু। কথি—কোন ঠাইত, ক'ত। মিলত—ঘটে। তনুপাত—দেহৰ পতন। মতিমান—মনত ভাবি। আশা-পাশ—আশাৰ জাল। বেৰি বেৰি—বাৰবাৰ। আশা-পাশ...বেৰি—মনৰূপ পশু জালত পৰি বাৰ বাৰ বন্দী হল। তেৰি—তোৰ। অৱনিশি—দিনেৰাতি। পহু—প্ৰভু। ৰাম পৰম পহু—ৰামৰূপ পৰম প্ৰভু।

---

পাঠান্তৰ:— * মতি—মোৰা।

২০

## ৰাগ—গৌৰী।

ধ্ৰুং—ওৰে সখি পেখোৰে; কঞ্জলোচন চললি নন্দ কুমাৰা।
ইন্দু বদন, কৌটি মদন; ৰূপে তুল নুহি জাৰা॥

পদ—মকৰ কুণ্ডল; মণ্ডিত গণ্ড; গলে গজমতি লুলে।
তৰিতাম্বৰ, স্যামসুন্দৰ; সিৰে সিখণ্ডক ডুলে॥
কৰকঙ্কন, কিঙ্কিণি কনক; ঝনকে চলে গোপালা।
পঞ্চম পুৰে, লম্বিত উৰে; কেলি কদম্ব* মালা॥
পদ পঙ্কজ, মঞ্জিৰে ঝুৰে: হৰয় চিত্ত হামাৰু,
শঙ্কৰ কহ, ছাড় বিৰহ; ওহি জগ আধাৰু॥২০॥

পেখ—চোৱা। কঞ্জ—পদ্ম। ইন্দুবদন—চন্দ্ৰৰ দৰে শুৱনি মুখ। গণ্ড—গাল। লুলে—ওলমি পৰে। তড়িতাম্বৰ—(তড়িত-বিজুলী, অম্বৰ—বস্ত্ৰ) বিজুলীৰ চিকিমিকিৰ দৰে কাপোৰ। শিখণ্ডক—ম'ৰাৰ পাখি। কিঙ্কিনি কনক—সোণৰ ঘুণ্ডৰা। ঝনকে—ঝুন ঝুন শব্দ কৰি। পঞ্চম—ভাৰতীয় স্বৰৰ পঞ্চম সুৰ; কোকিলে এই সুৰ উলিয়াব বুলি কয় ("কোকিলো ৰৌতি পঞ্চমং" নাৰদ) পঞ্চম পুৰ—বাহীত পঞ্চম সুৰ গায়। মঞ্জিৰ—নূপুৰ। ঝুৰে—ঝুন ঝুন কৰে। আধাৰু—আধাৰ, আশ্ৰয়।

২১

## ৰাগ—মাউৰ ধনশ্ৰী।

ধ্ৰুং—গোপিনি প্ৰাণ, কাহানু* গেয়োৰে† গোবিন্দ।
হামু পাপীনি পুনু, পেখব নাহি আৰ, সোহি বদন অৰবিন্দ॥

---

[illegible]—[illegible]। * কাহানো। † [illegible]।

পদ—কমন ভাগ্যবতী, ভয়োৰে সুপৰভাত, আযু ভেটব মুখ চান্দা।
উগত সুৰ দুৰ, গেয়োৰে ‡ গোবিন্দ ; ভয়ো গোপবধূ আন্ধা ॥
আযু মথুৰাপুৰে §, মিলব মহোৎসৱ, মাধৱ সাধৱ মান।
গোকুলক মঙ্গল, দুৰ গেয়ো v নাহি, বাজত বেণু বিসান।
আযু জত নাগেৰি কৰত নয়ন ভৰি ; মুখ পঙ্কজ মধুপানা।
হামাৰি বঙ্ক বিধি, হাতে হৰল নিধী ; কৃষ্ণ কিঙ্কৰ ৰষ ভানা ॥২১॥

কাহানু—কলৈ। গেয়োৰে—গল। বদন অৰবিন্দ—মুখপদ্ম। ভয়োৰে—হল। সুপৰভাত—সুপ্ৰভাত। আজু—আজি। ভেটব—দেখিব। মুখচান্দা—মুখচন্দ্ৰ। উগত—উদিত। সুৰ—সূৰ্য্য। ভয়ো—হল। আন্ধা—আন্ধাৰ। সাধৱ—সাধিব, কৰিব। মান—সত্‌কাৰ। নাগৰী—নগৰৰ তিৰোতাসকল। বঙ্কাবিধি—বেকা বিধি। বিষাণ—শিঙা। নিধি—ধন ঐশ্বৰ্য্য। কুবেৰৰ নৱনিধি—মহাপদ্ম, পদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, কুন্দ, নীল আৰু খৰ্ব্ব।

## ২২

## ৰাগ ধনশ্ৰী।

ধ্ৰুং—হেৰহু মাই ; চললি বিপিন মধাই।
বেণু বিসান, নিসান আৱত ; হৰসে হৰসে ধেনু ধায়ী *॥

পদ—এতি † যগ মোদন : কন্ধে § দধি ওদন, গোধন আগু বুলাই।
বঙ্কিম নয়ন, সৰোৰুহ হাসি, হেৰাইতে ভুবন ভুলাই ॥

---

§ পুৰি। ‡ গেয়ো। * ধাই ধাই। † ওহি। § কান্ধে।

মদন দমন ৰূপ, পেখিয়ে পুনু পুনু ; মুৰুচি পৰয় সুৰ নাৰি ।
সোহি জগজিৱ, বিযোগ অব সহবি, কৈচন চিত্ত হামাৰি ॥
হৰি বিৰহানল, আকুল গোপিনি, দৰসন দিয়সে নপাই ।
হৰি গুণ কহি ৰহি, প্ৰেমে ঝুৰয় নিৰ, শঙ্কৰ এহু ৰষ গাই ॥২২॥

হেৰহ—দেখা, হেৰা । মধাই—মাধৱ । ধাই—সৰি । নিস্বান—শব্দ । মোদন—আনন্দকাৰী । ওদন—সিদ্ধান্ন, ভাত । আগুবুলায়—আগত থেদি লৈ যায় । বঙ্কিম নয়ন—কেৰাহি চাৱন । সৰোৰুহ—পদ্ম । হেৰাইতে—দেখাওঁতে । মদন দমন ৰূপ—মদনক চেৰ পেলোৱা ৰূপ । পেখি—দেখি । মুৰুচি—মূৰ্চ্ছা গৈ ; চেতন লোপ হৈ । সহবি—সহ্য কৰিব । সুৰনাৰী—দেবাঙ্গনা, দেৱ-স্ত্ৰী । অব—এতিয়া । বিৰহানল—বিচ্ছেদ বহ্নি ।

২৩

## ৰাগ—ধনশ্ৰী ।

ধ্ৰুং—দেখু সখি মধুৰ মুৰতি হৰি ।
ধৰি অধৰে পুৰে মুৰুৰী ॥

পদ—তনু অভিনব ঘনকালা ।
উৰে লুলে কদম্বক* মালা ॥
পিত অম্বৰ তৰিত জোতি ।
জলে কম্বুগলে গজ মতি† ॥

পাঠান্তৰ :- * কদম্বহু ; † গজমোতি ;

মনি কৌস্তুভ কণ্ঠত লুলে।
চাৰু সিৰে সিখণ্ডক ডুলে ॥
নিন্দি অলক লোল § কপোলে।
কর্ণতি মকৰ কুণ্ডল ডোলে।
ভুজ কঙ্কন ৰঞ্জে কেয়ুৰে।
কটিত কনক কিঙ্কিনি ঝুৰে।
পদ পঙ্কজ মঞ্জিৰ বোলে।
কৃষ্ণ কিঙ্কৰ শঙ্কৰে বোলে ॥২৩।

পূৰে—বজায়, ধৰে। মুৰুৰী--বাঁহী। অভিনব—অপূর্ব। ঘনকালা—মেঘৰ দৰে শ্যামবর্ণ। লুলে—উৰে=অলমি হালি জালি থাকে। কম্বুগল—শঙ্খৰদৰে তিনটা ৰেখা থকা গল। অলক—কেকোৰা চুলি। মঞ্জীৰ—নূপুৰ। বোলে—শব্দ কৰে। গজমোতি—গজমুক্তা; হাতীৰ কুম্ভত পোৱা মুক্তা।

২৪

## ৰাগ—আষোৱাৰি।

ধ্রুং--আনন্দে গোবিন্দে বায় বৃন্দাবনে বেণু।
ৰূপে ভুবন ভুলে, ৰহিয়া কদম্ব মুলে,
কালিন্দি তীৰে ৰাখে ধেনু ॥

পদ—গোপ সিশু সঙ্গে চলে, সিৰে সিখণ্ডক ডুলে,
কর্ণে কুণ্ডল গণ্ড লোলে।

পাঠান্তৰঃ— § নুলে।

কেয়ুৰ কঙ্কন কৰে, উৰে বনমালা লুলে
মধুৰ মধুপ মধু ভোলে।
কটি কাঞ্চি কিঙ্কিনি, বাঝত ঝণি ঝণি
শ্যাম তনু সোভে পিত বাসে।
বাম কাখে সিঙ্গা বেত, অৰুণ পঙ্কজ নেত্ৰ
কণ্ঠে কৌস্তুভ পৰকাসে ॥
তৃভঙ্গ ললিত হাস কৰু হৰি ভ্ৰুব ভাস,
দৰসিয়া লিলা বিলাসে।
চৰণে মঞ্জিৰ ঝুৰে, উচ্চায়া পঞ্চম পুৰে
শঙ্কৰ কহ অভীলাসে ॥২৪॥

বায়—বজায়। মধুপ—ভ্ৰমৰ। মধুভোলে—মৌ পিবলৈ পাহৰে। উৰে বনমালা...মধুভোলে—বনমালা ওলমি পৰিছে; ভোমোৰা মৌৰ আশাত তাত পৰিছে কিন্তু কৃষ্ণ ৰূপত মোহ গৈ মধু পিবলৈ পাহৰিছে। কাঞ্চি—মেখলা; ককালৰ হাৰ (ওপৰত দেখা)। কিঙ্কিনী—ঘুগুৰা; ঘুগুৰাৰ মালা (ওপৰত দেখা)। বাজত—বাজে। কাখে—ককালত। অৰুণ পঙ্কজ—ৰঙা পদ্ম। ললিত—সুন্দৰ। কৰু—কৰে। ভ্ৰুবভাস—চেলাউৰিৰ শোভা। লীলা বিলাসে—অঙ্গি ভঙ্গিৰে। চৰণে...পঞ্চম পুৰে—চৰণত নূপুৰে শব্দ কৰে; উচ্চৈঃ পঞ্চম সুৰত গীত গায়।

২৫

## ৰাগ—আসোৱাৰি।

ধ্ৰুং—বালেক গোপালে কৰতৰে কেলি।
উচ্চয়া পাঞ্চনি নাছে, হাসে গোপ মেলি ॥

পদ—নিল তনু পীতপট ধতি-লটি লোৰ।
নব ঘন ঘন জৈচে বিযুৰি উজোৰ॥
সিৰে সিখণ্ডক ডোলে, গলে গজমতি॥
কোটি মদন মন মোহন মুকুতি॥
চৰণে মঞ্জিৰ ঝুৰে, উৰে হেম * হাৰু।
শঙ্কৰ কহ ওহি হৰিক বিহাৰু॥২৫॥

কৰতেৰে—কৰে। পাঞ্চনী—লক। গোপমেলি—গোপসকলে লগ লাগি। পীত-পট—হালধীয়া পাট কাপোৰ। ধটি—ধুতি, চুৰিয়া। লটি—ছুচুৰি যায়। লোৰ—মুঠা, কোচা। উজোৰ—উজ্বল, চিকমিকি। যৈচে—যেনে। নীল তনু—বিজুলী উঝৰে—নতুন, মেঘত বিজুলীৰ চিকিমিকিৰদৰে নীলা শৰীৰত ছুচুৰি যোৱা হালধীয়া পাটৰ চুৰিয়াৰ থোৰ।

২৬

ৰাগ—শ্ৰী।

ধ্ৰুং—উদ্ধৱ চলহু গোকুলে লাই।
হামু বিনে গোপীৰ তিলেকে যুগ জাই॥

পদ—হামু ছিন্তু বিত্ত নিত, হামাকু খিয়ানা।
ধৰল বিযোগে গোপী কথমপি প্ৰাণা॥
হামাকেৰে আসে গোপী, জিয়ে সমুদাই।
বহুৰি আৱুৰ কৃষ্ণ ভেটব দুনাই॥

* মূলে:

কহ কৃষ্ণ কিঙ্কৰ হৰিক ভজ ভজ* লোই।
হৰি বিনে সুহৃদ বান্ধৱ নাহি কোয়ি ॥২৬॥

লাই—লৈকে। হাম চিত্ত বিত্ত—মযেই হিয়াৰ ধন। নিত হামাকু ধিয়ান—মোকে সদায় ধ্যান কৰি থাকে। নাহুৰি—পুৰি। ভেটবো দুনাই—আকৌ দেখা পাম। লোই—লোকাই, লোকসকল। কোই—কোনো।

২৭

ৰাগ—তুৰ বসন্ত।

ধ্ৰুং—কহৰে উদ্ধৱ কহ, প্ৰাণেৰ বান্ধৱহে, প্ৰাণকৃষ্ণ কবে আৱে।
পুচয়ে* গোপী প্ৰেম আকুল ভাৱে; নাহি চেতন গাৱে ॥

পদ—বাছুৰি ধ্বনি সুনি গো বৎস পেখি।
লাগে আগি গায়ে উদ্ধৱ সখী ॥
কালিন্দি দেখী সখী ফুটয় বুক।
এথায়ে খেলাইচিলো সে চান্দ মুখ
হৰি নয়ণ সুখ ॥
বিৰিন্দা বন বৈৰি হামাৰি ভেলি।
পেখিতে নাৰিচুক* গোপাল কেলি ॥
ধ্বজ বজ্ৰ জৱ পঙ্কজ চাই।
তথায়ে কান্দো হামো লোটায়া কায়ী, গুণ গোবিন্দ গায়ী।
কৃষ্ণ সূৰ্য বিনে ব্ৰজ আন্ধাৰ, নেদেখো এদুখ অৱধী পাৰ ॥

---

পাঠান্তৰ:— * ভজ (লোপ হব) * পুছয়।

GAUHATI.

আৰ কি পেখবো গোপাল প্ৰাণ।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ ভান, হৰিক হৃদয়ে জান ॥২৭॥

কবে—কেতিয়া। আবে—আহিব। আগি—অগ্নি। বাছুৰি—বাঁশৰী, বাঁহী। খেলাইছিলোঁ—ক্ৰীড়া কৰিছিলোঁ, মনত পৰিছিল। নাবিছুৰু—নাপাহৰে।

২৮
## ৰাগ—কৈল্যান।

ধ্ৰুং— উদ্ধৱ বন্ধু ; মধুপুৰি ৰহল মুৰাৰু।
কাহে নাহেৰি, ৰহব অব জীৱন, বন ভয়ো ভৱন হামাৰু।

পদ—জাহে বিযোগে, আগি অঙ্গ তাৱয়* তিল একু ৰহয়ে নপাৰী।
সোহি ব্ৰজ-সুৰ, ছুৰ গয়ো গোবিন্দ, দিসং† দস দীবসে আন্ধাৰী ॥
হয়ো মৰণ ওহি, সোহি হৰি চৰণকু, বিচুৰি ৰহয়ে নপাই।
দেখত কালিন্দি গিৰি বীবিন্দা বন, তনু মনু দহয়ে সদায় ॥
ব্ৰজজন জিৱন, বহুৰি নাহি আৱত, হামাকু কৰত আনাথা।
গোপিনি প্ৰেম, পৰসি নিৰ ঝুৰয় §, শঙ্কৰ কহ গুণ গাথা ॥২৮॥

মধুপুৰি—মথুৰা। ৰহল—ৰল, থাকিল। তাৱয়—তপত হয়। একু—একোপধ্যে। সুৰ—সূৰ্য্য। ওহি—এই। বিছুৰি—পাহাৰ। গাথা—গীতিপদ। ধৰ্ম্ম সম্বন্ধীয় গীত।

---

পাঠান্তৰ :— * নাবিছুৰে। † হামু। * তাৱয়ে; † দিস; ‡ ঝুৰয়ে।

২৯

## ৰাগ—ধনশ্ৰী।

ধ্ৰুং—ৰাম মেৰি হৃদয় পঙ্কজে ৰৈছে।
ভাই চিন্তনা * চীন্ত † কৈছে॥

পদ—জগ ‡ তাৰেক জাকেৰি নাম।
দেখো সো প্ৰভু আপুন ঠাম॥
ৰাম, সুহৃদ সোদৰ মাতা।
জান ৰামেসে অভয় দাতা॥
ৰাম, ভকত পৰম নীধী।
ৰাম, বিনে নাহি একো সিদ্ধি॥
ৰাম, ইহ পৰলোকে গতি।
তাহে, দেখো নাহি মন্দমতি॥
কৃষ্ণ কিঙ্কৰ শঙ্কৰ ভান।
ৰাম বিনে নাহি গতি আন।১৮৩॥

বৈছে—বহিছে। চিন্তনা চিত্ত কৈছে—হৃদয়ত কিয় চিন্তা নকৰা। ঠাম—নিজ ঠাই বা হিয়া।

৩০

## * ৰাগ—ধনশ্ৰী (মাউৰ ধনশ্ৰী)।

ধ্ৰুং—হৰিক বয়ন † হেৰি মাই।
ফোকাৰে নিস্বাস নিৰ নয়ন ঝুৰাই॥

---

পাঠান্তৰ:— * চিত্ত; † নাচিত্য; ‡ জগত।

* এই গীত মহাপুৰুষ শঙ্কৰদেৱে সদ্যজাত শ্ৰীকৃষ্ণক সুতিকাগৃহৰ পৰা ব্ৰজলৈ লৈ যোৱা ঘটনা লৈ লিখা। শেষত ৺গোপালদেৱে অলপ পৰিবৰ্ত্তন কৰি এই গীতটি তেওঁৰ জন্ম যাত্ৰা নাটত ভুক্ত কৰিছে। পাঠান্তৰ:— † নয়ন;

পদ—আয়ু জননি সুত চল পৰদেশ।
কতনো লীহিল বিহি ‡ আভাগিক ক্লেশ॥
বিনে তুহু বহব জীৱন নাহি মোই।
কহ শঙ্কৰ কৃষ্ণ বোল সব লোই॥১৮৪॥

বয়ন—মুখ। মাই—দৈৱকী। ঝুৰাই—পেলায়। বিহি—বিধি। লীহিল—লিখিলে। নয়নে নীৰ ঝুৰাই—চকু লো টোকে। মোই—মোৰ।

৩১

## ৰাগ—গৌৰি।

ধ্ৰুং—জিৱত জয়, যোযোৱা নন্দন, আনন্দ পদ পাই।
নাচতু ছনি, গোপ গোপীনি, হাতে তালি বজাই॥

পদ—যোহি যগত, জিৱ জনক,
জাহে ন সমকৈই *।
সোহি পৰম, পুৰুষোত্তম,
ৰাখ † তমু তৈই ‡।
বামন পহু, বাহিৰে বহু
কৰতু বিঘিনি নানা।
অন্তৰে তেৰি, ৰাখতু § হৰি,
কহতু কৃষ্ণক দাষা॥১৮৫॥

নাচতু...বজাই—গোপ গোপিনীৰ লগত
জীৱত—দীৰ্ঘজীৱী হওক; জাহে—যাহে যাক। সমকোই—কোনেও সমান
চাপৰি বজাই নাচি চলে।

পাঠান্তৰ:- ‡ দিহিল বিধি। * সমকোই; † ৰাখত; ‡ তোই; § ৰাখত।

নহয়। তোই—তোৰ বা তোমাৰ। বামন পহু—বামনৰূপী প্ৰভু। তেৰি—তোমাৰ। কৃষ্ণকু—কৃষ্ণৰ।

৩২

শড়চন্দ—গীত।

ৰাগ ভুপালি।

ধ্ৰুং—বিৰহে আকুল গোপী হামাকু নিমিত।
ঝুৰে নয়নক নীৰ থিৰ নোহে চিত্ত ॥

পদ—মাধৱ কহই উদ্ধৱ ধৰি হাত।
কহ মোহে গোপীনীক সন্দেশ বাত ॥
জানয় নাহি গোপী মোহি বিনে আন।
দেহু বোধ উদ্ধৱ গোপী ৰহ প্ৰাণ ॥

তাল—চুটা।

নাহি সুহৃদ মোহে গোপীনি সমান।
তাহেৰ দুখ সুনি চুটে মেৰি প্ৰাণ ॥

পদ—এ উদ্ধৱ চল গোকুলক লাই।
সুমৰিতে মোহে গোপীনীক জীৱ জাই ॥
হামাকু সপত সান্ত কৰু ব্ৰজনাৰি।
বোলিতে কমল নয়নে ঝুৰে বাৰি ॥

থৰমান।

নাৰে নয়নে নিন্দ নাহি অন্নপান।
হা হৰি বুলিতে তেজই কৈছে প্ৰাণ ॥

পদ—মোহে চৰণ মনে ধৰি ঝুৰে নীৰ।
তাহেঁৰ দুখ সুনি চিত্ত নোহে থিৰ॥
এ উদ্ধৱ সুন গোপীনিক দুখ।
তনুমন ঝামৰ মলিন ভেলি মুখ॥
কহবি বিনয় বানি গোপীনিক আগে।
কয়লহু বস্য মোহে প্রেম অনুৰাগে॥
নাহি চাড়হোঁ সখি তাহেঁৰ সন্নিত।
তাপ তেজহু অব থিৰ কৰু চিত্ত॥১৮৬॥

হামাকু—মোৰ। ঝুৰে—নিজৰে। মোহে—মোৰ। সন্দেশ—বাতৰি, খবৰ। বাত—কথা। চুটে—ওলাই দৌৰে। লাই—লৈ, লৈকে। সুমৰিতে মোহে—মোক স্মৰণ কৰোঁতে। নাৱে—ন আৱে, নাহে। নিন্দ—নিদ্রা। বস্য—বশ্য, বশ। সন্নিত—নিকট, ওচৰ।

৩৩

## ৰাগ–ধনশ্রী।

(১)

ধ্রুং—কি কহব উদ্ধৱ কি কহব প্রাণ।
গোবিন্দ বিনে ভয়ো গোকুলে * উছান॥

পদ—সুন্য ভেল অঙ্গিনা বিৰিন্দা বিপিন।
না সোভে † ৰয়নী যৈচে চান্দ বিহিন॥
নাহি চাৰব ধেনু কালিন্দি কুল।
আৰ না শুনবো ‡ বেনু কদম্বক মুল॥
মথুৰা ৰহল § সব গোপিনীক পিউ।
কেসব বিনে কৈছে ধৰবহোঁ জিউ॥

পাঠান্তৰ :– * গোকুল; † নাসোহে; ‡ পুৰব; § ৰহলি।

## পৰিতাল *

( ২ )

ধ্রুং—ৰে † সই গোপাল পিয়াক। মেৰি প্ৰাণ আধাক ।
মধুপুৰি ৰহে দহে জিউ হামাক ॥

পদ—গোকুলক মানিক কানু নব নিধি ।
হাতে হৰল নিকৰুণ বঙ্ক বিধি ॥
চান্দ বিনে ৰয়ণী সজনি কিছো নোহে ।
হৰি বিনে বিৰিন্দবন ‡ নাহি সোহে ॥

## একতালি ।

( ৩ )

ধ্রুং—মাই মাধৱ বিৰহে ।
হৰয় চেতন তনু জিবন নাৰহে ॥

পদ—চান্দ চন্দন মন্দ মলয় সমিৰে ।
কেসৱ বিনে বিষ বৰিসে শৰিৰে ॥
ঘন ঘন হানয় মদন পঞ্চবান ।
কোকিল কুহু কুহু লেহু মেৰি প্ৰাণ ॥
পঙ্কজ পাত অহিত হিম †† বাৰি ।
মধুকৰ নিকৰ কৰয় মহামাৰি ॥
ঐচন সময়ে মধুপুৰি পিউ প্ৰাণ ।
কৃষ্ণ কিঙ্কৰ ৰস শঙ্কৰে ভান ॥ ৮৭ ॥

---

পাঠান্তৰ :– * নানচুটা ; † ওৰে ; ‡ বিৰিন্দাবিপীন। †† হেম।

ভয়ো—হয়। উছান—উছন্ন. চন। অঙ্গিনা—চোতাল। বিৰিন্দা বিপিন—বৃন্দাবন। পিউ—প্ৰিয়। মথুৰা···পিউ—গোপিনী সকলৰ প্ৰিয় (কৃষ্ণ) মথুৰাত থাকিল। শোহে—শোভে। পিয়াক—প্ৰিয়। আধাক—আধাৰ। মধুপুৰি—মথুৰা। সজনি—স্বজনি। শোহে—শোভে। পঙ্কজ—পদ্ম। অহিত—ইয়াত। হিম—বৰফ, অতি চেঁচা। বাৰি—পানী। চান্দ·· শৰীৰে—চন্দ্ৰৰ কিৰণ, চন্দন, মৃদুমন্দ বতাহ আৰাম দায়ক হলেও আজি কৃষ্ণবিনে এই বোৰে শৰীৰত বিষহে ঢালিছে। পঙ্কজ পাত···হিমবাৰি— পদ্মৰ পাত ইয়াত অতি চেঁচা। মধুকৰ—মৌমাখি। নিকৰ—সমূহ। মধুকৰ· মহামাৰী—মৌমাখিৰ গুণ গুণ শব্দই বেদনা দিয়ে।

৩৪

## ৰাগ—অহিৰ।

(১)

ধ্ৰুং—গোবিন্দ গুণ মন লাগি।
সুমৰিতে তনু তহে * আগি॥

পদ—মধুপুৰি মাধৱ পিউ।
কৈছে ধৰবো অবজিউ॥
নিশি সব বঞ্চোহু † জাগি।
ভেলি মাধৱ বধ ভাগি॥

(২)

## মান—জতি ‡।

ধ্ৰুং—উদ্ধৱ বন্ধু মধুৰিপু প্ৰাণ হামাৰি।
জীৱন হামাৰি, যদুপুৰি পাৰত, পুনু নাৱত
ভকত সহৰি, বিৰহ কুমাৰি।

পদ—কৈছে কেশৱ পুনু পায়ী।
তুখ মেৰি মোচন; ৰাজিব লোচন;
চৰণ নাহেৰি জীৱ জাই॥

পাঠান্তৰ :— * জলে; † বঞ্চল; ‡ একতালি।

কহ মোহে কানুক বাতে।
নন্দ নন্দন পুনু    পাৱব পোপপুৰি
পৰসি জিৱাৱব হাতে॥

( ৩ )

## মানচোক *

ধ্রুং—কহ † উদ্ধৱ জিউ।
কৈচন চাড়ল গোষ্ঠে, কৃষ্ণ প্ৰাণ পিউ॥

পদ—পতি সুত ‡ সবহু অভিলাস।
চোড়ি কয়লোঁ কৃষ্ণ চৰণক আস॥
তবহু ৰহল মোৰ বন্ধু মধুপৰী।
নিকৰুণ কানু নাৱে অবহু বহুৰি॥
ব্ৰজক জিৱন ধনৰে নন্দকুমাৰ।
বিচুৰল পুৰুবক সুনেহা § হামাৰ॥
কৈছে ধৰবো অব ব্ৰজ বধু প্ৰাণে।
কৃষ্ণ কিঙ্কৰে ৰয শঙ্কৰে ভানে॥১৮৮॥

## —ঃ ইতি বড়গীত পূৰ্ণতাং ঃ—

গোবিন্দ গুণ মন লাগি—গোবিন্দৰ গুণত মন লাগি ধৰিছে অৰ্থাৎ কৃষ্ণ গুণত মুগ্ধ হৈ আমি মাতাল হৈছোঁ। সুমৰিতে তনু···আগি—সুৱঁৰিলে গাত জুই লগাৰ দৰে বোধ হয়। মধুপুৰি মাধৱ পিউ—প্ৰিয় মাধৱ মথুৰাত। কৈছে ধৰব অব জীউ—কেনেকৈ এতিয়া জীৱন ধাৰণ কৰিম। নাৱত—নাহে। সহবি—সহিব। ৰাজীব লোচন—পদ্ম নেত্ৰ। অবহু—এতিয়াও। বহুৰি—উলটি, ঘূৰি। সুনেহ—স্নেহ। বিচুৰল পূৰবক সুনেহা হামাৰ—আমাৰ আগৰ স্নেহ পাহৰিলে।

---

পাঠান্তৰ:- * তাল চুটা; † কহ মোহে; ‡ সুত সুহৃদ § সুনেহ।

# আমাৰ প্ৰাইজ আৰু লাইব্ৰেৰীৰ কিতাপ

চিত্ৰ দৰ্শন—শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ ৰচিত

সমাজ কথা— ,,

গৃহ কথা— ,,

পৃথিবীৰ বাতৰি— ,,

শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা সম্পাদিত

সচিত্ৰ ভীম চৰিত— ,,

সচিত্ৰ সীতা বনবাস— ,,

সচিত্ৰ স্যমন্ত হৰণ— ,,

সচিত্ৰ সমৰ দৰত জীৱন্ত মানুহ— ,,

সচিত্ৰ পক্ষী পুৰাণ— ,,

সচিত্ৰ লক্ষ্মী চৰিত— ,,

সচিত্ৰ বেউলা-লখিন্দাৰ--,,

সচিত্ৰ কাণ খোৱা— ,,

## আমাৰ ধৰ্ম্ম পুথি—

গীতা— ,,

শ্ৰীমদ্ভাগৱত—১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ, ৭ম, ৮ম, ৯ম, ১০ম, ১১শ, ১২শ স্কন্ধ— ,,

ধৰ্ম্ম সংবাদ— ,,

অৰ্জ্জুন সংবাদ— ,,

কীৰ্ত্তন-ঘোষা— ,,

শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা সম্পাদিত

নামঘোষা— ,,

গীতলা— ,,

বৰ কৰতি— ,,

অৰ্জ্জুন গীতা— ,,

শ্ৰীআদি যামল— ,,

উষা হৰণ— ,,

ব্যাধ চৰিত— ,,

অশোক চৰিত —,,

জীৱ স্তুতি— ,,

কালিকা পুৰাণ—,,

ভক্তি প্ৰেমাৱলী--,,

গুপ্তমণি— ,,

ত্ৰিনাথৰ পাচালি ,,

বৰ গীত— ,,

জল কন্যা— শ্ৰীযুত মুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

মণি — শ্ৰীযুত যোগীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

হজৰত মহম্মদ চৰিত্ৰ—শ্ৰীযুত মহাদেৱ শৰ্ম্মা

শকুন্তলা—শ্ৰীযুত লম্বোদৰ বৰা

কথা ভাগৱত—শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা

আৰ্য্য পুৰুষীনামা—

---

দত্ত বৰুৱা ব্ৰাদাৰ্চ এণ্ড কোং। নলবাৰী, (কামৰূপ)।